# নরজ্যোতি মহাবিদ্যালয়

# আলোচনী

NARAJYOTI COLLEGE LIBRARY,
Estd-1971
Dist.-Kamrup,
(Assam)

তৃতীয় সংখ্যা-
১৯৮২-'৮৩



সম্পাদক-
। মাজেদুর রহমান।

# নৱ-জ্যোতি মহাবিদ্যালয়ৰ মুখ-পত্ৰ

তৃতীয় বছৰ

তৃতীয় সংখ্যা

১৯৮২-৮৩ চন।

উপদেষ্টা—

আঃ ছাত্তাৰ আহমেদ [অধ্যক্ষ]

তত্ত্বাৱধায়ক

শ্ৰীলম্বিত কোঁৱৰ [অধ্যাপক]

সম্পাদক—

মাজেদুৰ ৰহমান।

# নৱ-জ্যোতি মহাবিদ্যালয়ৰ মুখ-পত্ৰ

তৃতীয় বছৰ

তৃতীয় সংখ্যা

১৯৮২-৮৩ চন।

উপদেষ্টা—

**আঃ ছাত্তাৰ আহমেদ** [অধ্যক্ষ]

তত্ত্বাৱধায়ক

**শ্ৰীলম্বিত কোঁৱৰ** [অধ্যাপক]

সম্পাদক—

**মাজেদুৰ ৰহমান।**

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ বছৰেকীয়া প্ৰকাশ

৩য় সংখ্যা—১৯৮২-৮৩ ইং চন।

## সম্পাদনা সমিতি—

অধ্যক্ষ, আব্দুছ ছাত্তাৰ আহমেদ, সভাপতি
উপাধ্যক্ষ, এম, মোজাম্মেল হুছেইন, উপ-সভাপতি
অধ্যাপক, শ্ৰীলম্বিত কোৱৰ, তত্বাৱধায়ক আলোচনী
এম, মাজেদুৰ ৰহমান, আলোচনী সম্পাদক
অধ্যাপক, শ্ৰীভগীৰথ নাথ, সদস্য
এম, মজিবৰ ৰহমান খান, সদস্য
এম, জহিৰুল হক, সদস্য
মিচ্ মাহমুদা খানম, সদস্যা
এম, খোৰশেদ আলম, সদস্য

বেটুপাট—
খোৰশেদ আলম

অংগসজ্জা— পৰিকল্পনা ঃ
এম, মাজেদুৰ ৰহমান

বেটুপাত পৰিকল্পনা—
অধ্যাপক— ঘনশ্যাম ভড়ালী
,, লম্বিত কোৱৰ

মুদ্ৰক— অসম প্ৰিন্টাৰ্চ, হাউলী।

## —উছৰ্গা—

যোৱা বছৰটোত যিসকল জ্ঞাত অজ্ঞাত বন্ধু-বান্ধৱী তথা ন্যায় ব্যক্তিয়ে আমাক এৰি গ'ল, সেই সকলৰ উদ্দেশ্যে এটুপি অশ্ৰু অঞ্জলী যাচিলো। আমাৰ আহিব ধৰা কালিৰ বাবে তোমালোকে দি যোৱা আহিবোৰৰ দাম আমি কোনো দিন নাপাহাৰো।

সম্পাদনা সমিতি
নঃ মঃ বিঃ আঃ

# সূচীপত্ৰ


| বিষয়— | পৃষ্ঠা— | লিখক— |
| --- | --- | --- |
| সম্পাদকীয় | ১ | এম, ৰহমান |
| মোৰ মন (কবিতা) | ৪ | আঃ ছামাদ |
| কৃতজ্ঞতা | ৫ | আঃ ছাত্তাৰ, অধ্যক্ষ |
| প্ৰতিজ্ঞা (কবিতা) | ৮ | আমিৰ হুসেন |
| ক্ষিপ্ৰ সময় (কবিতা) | ৮ | স্বাহজামাল সিকদাৰ |
| বিদায় পৃথিৱী (গল্প) | ৯ | হজৰত আলী |
| কন্ঠস্বৰ (কবিতা) | ১২ | শামচুন নাহাৰ |
| জীৱন আৰু জগত (গল্প) | ১৩ | খোৰসেদ আলম |
| নতুন প্ৰেমিক (গল্প) | ১৭ | এম, ৰহমান |
| শিক্ষা আৰু পৰিবেশ (প্ৰৱন্ধ) | ২০ | ছলিম উদ্দিন |
| অৱশেষ (কবিতা) | ২৩ | মেহেৰুন নেছা |
| ক্ষত চকুলো (কবিতা) | ২৩ | এম, মাজেদুৰ ৰহমান |
| আমাৰ দক্ষিণ ভাৰত ভ্ৰমণ | ২৪ | খোৰসেদ আলম |
| কোনে দিব উত্তৰ (গল্প) | ২৯ | এম, ছাদিকুৰ ৰহমান |
| শত্ৰুতা (গল্প) | ৩১ | ইদ্ৰিছ আলী |
| সমৰ্পণ (কবিতা) | ৩২ | মালেকা আহম্মেদা |
| জাগৰণ (কবিতা) | ৩২ | এম, জেহেৰুল হক |
| সাক্ষাৎকাৰ | ৩৩ | আলহাজ বাহাৰ উদ্দিনৰ [ লগত ] |
| বুধিয়ক ধনীৰাম (চুটি গল্প) | ৩৫ | এম, আছমত আলী |
| সাক্ষাৎকাৰ | ৩৬ | আনোৱাৰ হুছেইনৰ [ লগত ] |
| আদৰ্শ বিদ্যাৰ্থীৰ গুণ (প্ৰৱন্ধ) | ৩৯ | থায়েৰ উদ্দিন |
| কল্পনা (কবিতা) | ৪১ | সহিদুল ইছলাম |
| মোৰ মন আকাশৰ ঢৌ (কবিতা) | ৪১ | আঃ ছাত্তাৰ আহম্মেদ |
| এটি কবিতা (কবিতা) | ৪১ | ছাদিকুৰ ৰহমান |
| নতুনৰ স্পন্দন ধ্বনি (কবিতা) | ৪২ | ছলিম উদ্দিন |
| পদধ্বনি (কবিতা) | ৪২ | মহম্মদ আলী |
| Other-I | — | |
| The Role of a Teacher in a Democratic State | (a) | Mr. S. Baral, Lecturer |
| Two Crowns of English Dramatic Literature. | (c) | M. Mozammel Hussain (Vice-Principal) |
| | | A. S. Ahmed (Principal) |
| ছাত্ৰ একতা সভাৰ বিভিন্ন সম্পাদকৰ | (ক-ড) | |
| প্ৰতিবেদনৰ শিতান— আৰু মহাবিদ্যালয়ৰ বছৰেকীয়া খেল-ধেমালীৰ বিভিন্ন ফলাফল | | |


# সম্পাদকীয়—

অসম ১৯৮৩ঃ—সৃষ্টিৰ বিনাশ নাই। এচাম আহি আছে আৰু এচাম গৈ আছে। কিন্তু নিয়তিৰ বিধানত নুফুটা কলি এটা মৰহি যোৱাৰ দৰে অসম মাতৃৰ তথাকথিত অস্তিত্ব ৰক্ষাৰ নামত চলা সৰ্ব্বনাশী আন্দোলনৰ হিংসাৰ কবলত জীৱন বিসৰ্জ্জন দি যি সকলে আমাক এৰি গুচি গ'ল,সেই সকল শ্বহীদলৈ প্ৰতিবেদনৰ মেলনিতে মোৰ হিয়া ভৰা শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো। ১৯৮৩ চনৰ বাবে এখন কলেজ আলোচনী সম্পাদনা কৰিম বুলি বুকুত অসীম আশালৈ আগবাঢ়িছিলো, ঠিক এনেতে অসমৰ বুকুত এটা প্ৰৱল ধুমুহা বৈ গ'ল। কল্পনা ভৰা বহুতো মানৱ হৃদয় অকালতে বিনাশ হ'ল। অৱশ্যে এইবোৰ অমূল্য হৃদয় হেৰাই যোৱা বাবে কান্দি থাকিবলৈ এচাম সুপুৰুষ আছে, তেখেত সকল হ'ল কবি সাহিত্যিক। গতিকে মই এই হৃদয় গ্ৰাহী সাহিত্যিক সকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধাঞ্জলী অৰ্পণ কৰিছো।

কলেজ আলোচনীঃ— বৰ্ত্তমান যুগত প্ৰতিটো শিক্ষানুষ্ঠানৰেই একোখন মুখপত্ৰ থকাটো অতিকৈ প্ৰয়োজনীয় কিয়নো এনে ধৰণৰ মুখ পত্ৰই ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট সহায় কৰাৰ উপৰিও- ভৱিষ্যৎ জীৱনৰ গতিও নিয়ন্ত্ৰণ কৰিব পাৰে। আজি এই কঠোৰ জীৱন সংগ্ৰামত জয়যুক্ত হবলৈ হলে প্ৰতিজন শিক্ষাৰ্থীয়ে পাঠ্য পুথিৰ উপৰিও বাহিৰা জ্ঞান অৰ্জ্জন কৰা বৰ দৰকাৰ। আমি লক্ষ্য কৰি আহিছো যে, যি সকল লিখকে সাহিত্য জগতত সুখ্যাতি লাভ কৰিছে; তেখেত সকলৰ প্ৰাৰম্ভিক সাহিত্যৰ প্ৰথম পদক্ষেপ হ'ল আলোচনী বা কাকতৰ জৰিয়তে। এই ক্ষেত্ৰত আলোচনীৰ ভূমিকা সচাঁকৈয়ে গুৰুত্বপূৰ্ণ আৰু ব্যাপক। আলোচনী হ'ল ছাত্ৰ-ছাত্ৰীৰ অন্তৰত থুপ খাই থকা সুপ্ত, মানৱাত্মাক জাগ্ৰত কৰাৰ বাহন। ই হ'ল ছাত্ৰ-ছাত্ৰীৰ জ্ঞান চৰ্চ্চাৰ এটি আহিলা স্বৰূপ। ইয়াৰ পৰাই আমি সাহিত্য ৰচনাৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ মেলাব পাৰো। ইয়াৰ সহায়ত ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ প্ৰতিভা বিকাশৰ সুযোগ সুবিধা পায়। আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সাংগঠনিক মনোভাৱ আৰু আত্ম বিশ্বাস বঢ়াই তোলে, প্ৰেৰণা দিয়ে নতুন নতুন সাহিত্যৰ বৰঙণি যোগায় আৰু নতুন সাহিত্যিকৰ সৃষ্টি কৰে। এই খিনিতে আৰু এটা কথা উল্লেখ কৰিব পাৰি যে আলোচনী কেৱল মাত্ৰ সাহিত্য চৰ্চ্চাৰ বাহনেই নহয়, ই শিক্ষানুষ্ঠানৰ কাৰণে একোখন অধ্যায়ৰ উন্নতি, অৱনতি, অগ্ৰগতি আৰু অধোগতিৰ মাপ কাঠি। তাৰোপৰি আলোচনীৰ পাততেই শিক্ষানুষ্ঠান এখনৰ সামগ্ৰিক নহলেও আংশিক চিত্ৰৰ আভাস পোৱা যায়। ইয়াৰ পৰা দেখা যায় আলোচনী হ'ল প্ৰত্যেক শিক্ষানুষ্ঠানৰ এটা অপৰিহাৰ্য্য অঙ্গ স্বৰূপ। ন-লিখনি প্ৰকাশৰ বাবে মহাবিদ্যালয় বিলাকত আলোচনী সাহিত্যই এক মাত্ৰ বাহন। ছাত্ৰ-ছাত্ৰীৰ চিন্তা শক্তি বৃদ্ধি কৰিবলৈ আলোচনী সাহিত্য প্ৰকাশ কৰা অতিকৈ আৱশ্যক, কাৰণ আজিৰ ছাত্ৰৰ পৰাই নতুন লিখকৰ জন্ম হব। নৱজ্যোতি মহাবিদ্যালয়ৰ জ্ঞান চৰ্চ্চাৰ অন্যতম উৎস, ন-লিখনি প্ৰকাশৰ এক মাত্ৰ বাহন আমাৰ মহাবিদ্যালয়ৰ আলোচনী বা মুখ পত্ৰ খন।

এখন উচ্চ মানবিশিষ্ট আলোচনী সম্পাদনা কৰিবলৈ হলে প্ৰকৃতাৰ্থত বহুতো সা-সুবিধাৰ প্ৰয়োজন। এইখন দুখীয়া অঞ্চলৰ দুখীয়া অনুষ্ঠানৰ আলোচনীৰ বাবে যিমানখিনি সা-সুবিধাৰ প্ৰয়োজন, সিমানখিনি সা-সুবিধা দিব নোৱাৰে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ পৰাও আশানুৰূপে সহাৰি পোৱা নেযায়। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে কবিতা, প্ৰবন্ধ, গল্প, চুটি গল্প আদি বহুতো সম্ভাৰ জমা দিছিল যদিও সেই সকলোবোৰ সম্ভাৰ আলোচনীত ছপোৱাৰ উপযুক্ত নোহোৱা বাবে প্ৰকাশ কৰিব পৰা নগ'ল। তাৰ বাবে মই বৰকৈ দুঃখিত। লগতে সেই সকল বন্ধু-বান্ধৱীৰ ওচৰত আশা ৰাখিছোঁ, যে যাতে তেওঁলোকে ভালদৰে চেষ্টা আৰু গভীৰ চিন্তা কৰি উপযুক্ত গল্প, প্ৰবন্ধ আৰু কবিতা আদি ৰচনা কৰি অহা বছৰৰ আলোচনীত প্ৰকাশৰ কাৰণে দিব পাৰে, তাৰ বাবে মই আশা পাতি থাকিলো।

সাহিত্যৰ প্ৰতিভা দেখুৱাবলৈ হলে ছাত্ৰ-ছাত্ৰী সকলৰ কিছুমান সা-সুবিধাৰ অতিকৈ প্ৰয়োজন আৰু সেই সা-সুবিধা সমূহৰ ওপৰত লক্ষ্য কৰি আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ কতৃপক্ষৰ ওচৰত নিম্ন লিখিত দাবী সমূহ জনোৱা হ'ল।

১ নং দাবীঃ—পাঠাগাৰত নিয়মিত ভাবে বিভিন্ন ধৰণৰ আলোচনীৰ যোগান ধৰিব লাগে।

২ নং দাবীঃ—আনুষ্ঠানিক ভাবে প্ৰতি তিনি মাহৰ মূৰে মূৰে সাহিত্য প্ৰতিযোগিতা পাতিবৰ ব্যৱস্থা কৰি দিব লাগে।

৩ নং দাবীঃ—অসম সাহিত্য সভাৰ শাখা সভাৰ সহায়লৈ আমাৰ মহাবিদ্যালয়ত প্ৰতি বছৰে আলোচনা চক্ৰ পাতিব লাগে।

৪ নং দাবীঃ—প্ৰাচীৰ পত্ৰিকাত প্ৰতিযোগিতা মূলক গল্প, কবিতা প্ৰচাৰ কৰিব লাগে আৰু সেইবোৰ বাছনি কৰি পুৰস্কাৰৰ ব্যৱস্থা কৰিব লাগে।

ব্যক্তিগতঃ—নৱজ্যোতি মহাবিদ্যালয়ৰ আলোচনীখন সম্পাদনাৰ দায়ীত্বভাৰ মোৰ ওপৰত অৰ্পণ কৰি সাহিত্য সেৱাৰ যি সুবিধা দিলে তাৰ বাবে মই নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নানা আহুকালৰ সন্মুখীন হৈ আলোচনীখন যথা সময়ত ছপাকৰি ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব নোৱাৰাত মই ব্যক্তিগত ভাবে ক্ষমা খুজিছোঁ।

আলোচনীখন সম্পাদনা কৰাৰ বাবে যাবতীয় দিহা-পৰামৰ্শৰে সহায় কৰা শ্ৰদ্ধাভাজন অধ্যক্ষ আঃ ছাত্তাৰ আহমেদ, উপাধ্যক্ষ এম, মোজাম্মেল হুচেইন, অধ্যাপক শ্ৰীযুত ভগীৰথ নাথ, তত্বাৱধায়ক অধ্যাপক শ্ৰীলম্বিত কোঁৱৰ আৰু মাননীয় শিক্ষাগুৰু মোঃ আনোৱাৰ হুচেইন, অধ্যাপক চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, প্ৰমুখ্যে নৱজ্যোতি মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুকে আদি কৰি মোৰ আন্তৰিকতাৰে শ্ৰদ্ধাঞ্জলী তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ-একতা সভাৰ বিভিন্ন বিভাগীয় সম্পাদক আৰু সম্পাদিকা সকলৰ ওপৰিও বন্ধুবৰ শাৰফুল ইচলাম খাঁন, মিজানুৰ ৰহমান, ৰমেজ উদ্দিন, সহৰ আলী, আলিম, সাৰাফত, আঃ মজিদ, হাফিজ আদি কৰি বান্ধৱী হাফিজা খাতুন, মাহমুদা, ছালেহা, ৰৌশনাৰা (খালা) হালিমা, মালেকা, মফিদা, আছিয়া, জাহানাৰা আৰু বহুতকে মোৰ আন্তৰিক হিয়া ভৰা মৰম যাচিছোঁ।



আলোচনীখন প্ৰকাশৰ বাটলৈ আনি দিয়াৰ বাবে হাউলীৰ 'অসম প্ৰিন্টাৰ্চৰ স্বত্তাধিকাৰী মোঃ মফিদুৰ ৰহমান, মুদ্ৰক তথা আন আন কৰ্ম্মী বৃন্দৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বাবে তেওঁলোকলৈ শলাগৰ শৰাই আগবঢ়াইছোঁ; লগতে কলেজ কেন্টিনৰ গৰাকী ওচমান গণি আৰু ৰমজান আলীয়ে বিশেষ ভাবে সহায় কৰা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক মৰম যাচিছোঁ।

সম্পাদকীয়ত ৰৈ যোৱা অজ্ঞাত দোষত্ৰুটিৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা বিচাৰিছোঁ। শেষত নৱ জ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ নিৰস প্ৰতিবেদনাৰ আঁৰ কাপোৰ টানিলোঁ। জয় হিন্দ্ —

ধন্যবাদেৰে—

সম্পাদক

মাজেদুৰ ৰহমান ভূঞা

নৱ-জ্যোতি মহাবিদ্যালয়, কলগাছিয়া

১৯৮২-৮৩ ইংৰাজী

মানুহ এজনে তাৰ ভাল কৰ্ত্তব্য পৰায়ণতা গুণৰ দ্বাৰায়হে মহৎ হব পাৰে, কিন্তু শৰীৰৰ সুন্দৰ ৰঙৰ জৰিয়তে নহয়।

—জৰ্জ ওৱাশিন টন।

## "মন মোৰ"

আব্দুছ ছামাদ
বি, এ, প্ৰথম বাৰ্ষিক (ক'লা)

ভালকৈ চোৱা শিলতো কোমলতা পাবা,
ভালকৈ চোৱা পানীতো কঠিনতা পাবা,
কান্দোনতো হাঁহিয়ে পাবা ।
আজি ৰং সানিছো শিলত,
মানৱত্বৰ ৰূপত আজি শিলক
সজাই চাবলৈ মন গৈছে ।
দেখিছো, শিলেও হাঁহিব খোজে
দেখিছো, শিলেও মোক কথা কব খোজে ।
কিন্তু মানুহৰ মানৱত্বইহে যেন মোক উপহাস কৰে ।
মানুহ ! শিলহে নোযোৱা কিয় ?
শিল হ'লে শিল্পীয়ে তোমাক মিঠা হাঁহি হহাঁব,
পৱিত্ৰতাৰে বোলাই দিব তুলিকাৰে,
যি তুলিকাই কলুষতা, ভণ্ডামিক চুৰমাৰ কৰি দিব পাৰে,
শিলৰ শিলত্বকো নাশ কৰিব পাৰে ।
সৌ সিদিনা মানসৰ
গোল গোল শিলৰ স্মৃতিবোৰে
মোৰ চকুৰ ভিতৰৰ আন্ধাৰত
কিছুমান অনাখৰী কবিতাহে
জুইৰ ফিৰিঙটিৰ দৰে
জ্বলি জ্বলি মোকো জ্বলাই দিয়ে ।



# —কৃতজ্ঞতা—

অধ্যক্ষ, আঃ ছাত্তাৰ

শিক্ষাৰ উদ্দেশ্যৰ ভিতৰত সমাজৰ সেৱা কৰাও এটা অন্যতম দিশ বুলি তাহানি স্কুলত পঢ়োতে শিকিছিলোঁ। মহাত্মাগান্ধী, পণ্ডিত জৱাহৰ লাল নেহৰু, মৌলানা আবুল কালাম আজাদ, সীমান্ত গান্ধী খান আব্দুল গফুৰ খান আদি মহান ব্যক্তি সকলৰ বাস্তৱ জীৱন কৰ্ম্মৰে ভৰপূৰ আছিল আৰু সেই কৰ্ম্মবোৰ সমাজৰ মঙ্গলৰ কাৰণে কৰা হৈছিল। ময়ো এজন শিক্ষিত ব্যক্তি হিচাপে ভাবোঁ মইনো সমাজৰ কাৰণে কি কৰিছোঁ? মোৰ দ্বাৰা সমাজৰ কিবা উপকাৰ হৈছে নে নাই? যদি হৈছে মোৰ শিক্ষাৰ উদ্দেশ্য পূৰ্ণ হৈছে; যদি হোৱা নাই মোৰ কৰিবলৈ এতিয়াও বহুত বাকী আছে। মই নিজে কিন্তু এধানিও নাজানো মই সমাজৰ কিবা উপকাৰত আহিব পাৰিছোঁ নে নাই? কৰ্ত্তব্য কামত অৱশ্যে অৱহেলা মই কৰা নাই। সমাজৰ উপকাৰাৰ্থে কাম কৰিবলৈ মোৰ যথেষ্ট ইচ্ছা আছে।

শিক্ষিত এজন ব্যক্তি হিচাপে প্ৰতিজন মানুহৰ যিমানখিনি কৰিবলগীয়া কাম আছে সংখ্যালঘু অঞ্চলৰ এজন শিক্ষিত মানুহৰ কাম আৰু কৰ্ত্তব্যবোধ তাতকৈ বহুতগুণে বেছি থকা উচিত। কাৰণ অসমৰ সংখ্যালঘু সকলৰ এন্ধাৰ অতীত মন্থন কৰিলে দেখা যায় যে তেওঁলোকৰ সংগ্ৰাম জীয়াই থকাৰ সংগ্ৰাম। জীৱনৰ লাহ-বিলাহ তেওঁলোকৰ কাৰণে নজনা বস্তু। জীৱনৰ মান দণ্ড বোধ, সামাজিক মান দণ্ড বোধ, তেওঁলোকৰ পৰা বহুত উৰ্দ্ধত। এই খিনি আহৰণৰ বাবেই তেওঁলোকৰ সংগ্ৰাম।

ফালৰি কাটি আহিছোঁ। হয়তো ওপৰত উল্লেখ কৰা কথাখিনি আপ্ৰাসঙ্গিক হ'ল; কিন্তু কি কৰো মগজুত সোমাই পৰিল।

সিদিনা মোৰ কলেজীয়া বন্ধু এজনে (এতিয়া মন্ত্ৰী) মোৰ বিষয়ে মন্তব্য কৰি কৈছিল যে চাকৰি নৌহওঁতেই বোলে মোৰ চুলি পকিল। মোৰ চিন্তা আহিল আৰু কিমান দিননো বাকী? যিহওক, কলেজৰ এইখিনি পৰ্য্যায়লৈ অহাৰ কাৰণে যি সকলৰ সহায় সহযোগ পালো তেওঁলোকলৈ মোৰ কৃতজ্ঞতাখিনি অন্ততপক্ষে জনাও।

নৱজ্যোতি কলেজখন ১৯৭১ চনত আৰম্ভ কৰা হৈছিল। এই অঞ্চলৰ ধনী, দুখীয়া সকলো মানুহৰ অদম্য উৎসাহ আৰু সহায় সহযোগিতাৰ ফলত ক'লা শাখাটোৰ অতি কম দিনৰ ভিতৰতেই ইমান খিনি উন্নতি সম্ভৱপৰহৈ উঠিছে। এতিয়াও ক'লা শাখাৰ কাৰণে কৰিবলগীয়া

বহুত বাকী । সমস্যা এতিয়াও বহুত। এই কাম খিনিৰ বাবে বিশেষভাবে দক্ষিণ ৰূপসী মৌজা, তিতাপানী মৌজা, উত্তৰ ৰূপসী মৌজা, গোৱালপাৰা জিলাৰ কিছু অংশৰ ৰাইজৰ বৰঙণি অ-নস্বীকাৰ্য্য। এই ক্ষেত্ৰ কলগাছিয়া ৰাইজৰ বিষয়ে দু-আষাৰ মান নিলিখি নোৱাৰিলোঁ। ইয়াৰ স্থায়ী ৰাইজৰ মাজত শিক্ষা বিস্তাৰ যদিও কম আছিল, তেওঁলোকৰ ত্যাগ আৰু নিঃস্বাৰ্থ-পৰতাৰ কাৰণে ইয়াত কলেজখন কৰাটো সম্ভৱ-পৰ হৈছে। এটা উদাহৰণ এইটোৱেই যে ইয়াত বাস কৰা মানুহ খিনি দুখীয়া যদিও তেওঁলোকে কলগাছিয়া বজাৰখনৰ প্ৰতি যোৱা ১৩ টা বছৰৰ ভিতৰত কেতিয়াও লোভ দেখুৱা নাই। এটা ডাঙৰ অঙ্কৰ লাভ যদিও বজাৰখনত আছে, কলেজখন স্থাপন হবৰে পৰাই বজাৰখনৰ সম্পূৰ্ণ আয় ইয়াৰ ৰাইজে কলেজখনত দিয়াত কৃপনালি কৰা নাই। ইয়াৰ বাবে কলগাছিয়াৰ ৰাইজ সঁচাকৈ সমাজ দৰদী আৰু ধন্যবাদৰ পাত্ৰ।

কলেজখন পূৰ্ণ পৰ্য্যায় প্ৰাপ্ত নৌহওঁতেই এই অঞ্চলৰ কেইজনমান চিন্তাশীল ব্যক্তিয়ে মোক বাৰে বাৰে অনুৰোধ কৰি আছিল যে, এইখন কলেজত বিজ্ঞান শাখা খুলিব লাগে। মোৰো এটা আন্তৰিক ইচ্ছা আছিল, বিজ্ঞান শাখা ইয়াত খুলিবলৈ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উচ্চ মহলৰ কেইজনমান ব্যক্তিৰ লগত আলোচনা কৰিছিলোঁ। কিন্তু মই উৎসাহ পোৱা নাছিলো। মোক অদ্ভুত বুলিও কিছুমানে ভাবিছিল। তেওঁলোকৰ ধাৰণা আছিল বিজ্ঞান শাখা খোলাটো এটা ধেমালিৰ বস্তু নহয়। ইয়াৰ কাৰণে প্ৰচুৰ আৰু অগণন টকাৰ আৱশ্যক। কিন্তু ইমান দুখীয়া অঞ্চলত বিজ্ঞান শাখা চলাই নিব পৰাটো কেতিয়াও সম্ভৱ নহয়। তথাপিও মই ৰাইজক মাতি তেওঁলোকৰ মতামত পাইছিলো, উৎসাহিত হৈছিলো। শ্ৰেণী খোলাৰ কাৰণে বহুত কষ্ট স্বীকাৰ কৰিব লগীয়াত পৰিছিলো। হাঁহিয়াতৰ পাত্ৰও হৈছিলো। কিন্তু বিশ্ববিদ্যালয়ে শেষত শ্ৰেণী খোলাৰ বাবে অনুমতি দিলে। বাস্তবিকতে ই এটা ডাঙৰ পদক্ষেপ।

কলগাছিয়াৰ ৰাইজ আকৌ আগবাঢ়ি আহিছিল। বিনা দ্বিধাবোধেৰে বজাৰখনৰ আয়-খিনি দিলে। কলেজখনক (বিজ্ঞান শাখা) ইমান-খিনি আগবঢ়াই দিয়াৰ কাৰণে তলত দিয়া ব্যক্তি আৰু সংগঠনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন নকৰি নোৱাৰিলো।

মহান ব্যক্তি আৰু সংগঠন সমূহ হ'ল—

১। বিধায়ক আৰু কলেজৰ কাৰ্য্যকৰী সভাৰ সভাপতি জনাব আব্দুচ ছোৱহান।
২। আলহাজ বাহাৰুদ্দিন আহমেদ
৩। জনাব ময়েজুদ্দিন আহ্মেদ
৪। জনাব আব্দুল কাদেৰ (দিগ্জানি)
৫। জনাব আলহাজ আঃ ওৱাদুদ দেৱান।
৬। শ্ৰীদুলাল চন্দ্ৰ বসাক, এম, এচ, ছি,
৭। জনাব সাহাবুদ্দিন সৰকাৰ (খাৰবাল্লি)
৮। জনাব আঃ আওৱাল, বি, এ, বি, টি,
৯। জনাব ডঃ ছোহৰাব আলী (বেচিমাৰী)
১০। জনাব আঃ হামিদ, বি, এ, বি, টি,
১১। শ্ৰীমহেন্দ্ৰ অধিকাৰী (ৰাঙ্গাপানী)
১২। জনাব আঃ কদ্দুছ দেৱানী
১৩। জনাব মোঃ হাকিমুদ্দিন দেৱানী
১৪। জনাব মোঃ আঃ কৰিম দেৱানী
১৫। জনাব মোঃ ইয়াছিন আলী মণ্ডল
১৫। জনাব মোঃ ৰেফাজ উদ্দিন দেৱানী
১৬। জনাব মোঃ আবুল হাশেম, বি, এ, বি, টি, (হেড্ মাষ্টাৰ লাংলা হাই স্কুল)
১৭। জনাব মোঃ আঃ ৰহিম সৰকাৰ (গান্ধাৰীপাৰা)
১৮। জনাব আঃ কদ্দুছ খাঁন, বি, এ, বি, টি, (বলাইপথাৰ)
২০। জনাব মোঃ কুদ্ৰত উল্যা তালুকদাৰ
২১। জনাব গফুৰ মজুমদাৰ (বাঙ্কাভাঙ্গা)



২২। জনাব ছিদ্দিক মাষ্টাৰ সাহেব (গুইলেজা)
২৩। জনাব বছিৰ উদ্দিন আহ্মেদ, এম,এ(চাক্লা)
২৪। জনাব ইমান আলী মণ্ডল (কলগাছিয়া)
২৫। জনাব আকবৰ হুছাইন বি,এ (চাৰৰেজিষ্টাৰ)
২৬। জনাব ছলিম উদ্দিন আহ্মেদ বি,এ,(লাংলা)
২৭। খন্দঃ মোঃ দেলবৰ হুছাইন (কলগাছিয়া)
২৮। জনাব হাছান আলী (ময়েনভৰি)
২৯। মোঃ তৰুমিয়া (মৌলভীপাৰা)

১৬। জি, কে, এবাবিক কলেজৰ অধ্যক্ষ প্ৰমুখ্যে সকলো।
১৭। দাবালীয়াপাৰা হাইস্কুলৰ প্ৰঃ শিঃ প্ৰমুখ্যে ,, ,,
১৮। কোকিলা প্ৰাইমাৰী কেন্দ্ৰ।
১৯। ক্ষুদ্ৰকুচি প্ৰাইমাৰী কেন্দ্ৰ।
২০। কলগাছিয়া (লাচাঙ্গা) প্ৰাইমাৰী কেন্দ্ৰ।
২১। ৰূপসী উন্নয়ন খণ্ডৰ বিষয়া ও কৰ্ম্মচাৰী বৃন্দ
২২। কলগাছিয়াৰ উপ-পীতি সমাহৰ্তা কাৰ্যালয়ৰ

২৬। আঃ ছাত্তাৰ আহমেদ— সভাপতি দঃ তিতাপানী গাওঁ পঞ্চায়ত।
২৭। মোঃ ফেৰদৌচ আলী— সভাপতি উঃ ৰূপসী গাওঁ পঞ্চায়ত।
২৮। মোঃ নূৰুল ইচলাম— কাউন্সিলৰ দঃ ৰূপসী গাওঁ পঞ্চায়ত।
২৯। ডাঃ নূৰুল ইচলাম— কাউন্সিলৰ উত্তৰ তিতাপানী গাওঁ পঞ্চায়ত।
৩০। শ্বেখ ইছাহাক উদ্দিন— বি, এ, গুনিয়ালগুৰি।
৩১। কে, কে, পাঠক হাইস্কুলৰ শিক্ষক সকল।
৩২। বাদল খান— শ্বেওৰাচৰ।

ভুলতে নাম বৈ যোৱা অসংখ্য শিক্ষানুৰাগী ব্যক্তি সকললৈ কৃতজ্ঞতাৰে।

৮। বামুণডাৰা এম, ই স্কুলৰ প্ৰধান শিক্ষক প্ৰমুখ্যে সকলো শিক্ষক।
৯। জনীয়া হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰমুখ্যে সকলো শিক্ষক।
১০। কাদং হাইস্কুলৰ প্ৰধান শিক্ষক, প্ৰমুখ্যে সকলো শিক্ষক
১১। বাঝগাওঁ ,, ,, ,, ,,
১২। বিলাসীপাৰা (গান্ধাৰীপাৰা) ,, ,,
১৩। কুজাৰপীঠ হাইস্কুলৰ প্ৰধান শিঃ ,, ,,
১৪। সজনীকান্ত ,, (বৰপেটাৰোড) ,, ,,
১৫। মোৱামাৰী এম, ই, স্কুলৰ ,, ,,

যানৰ যুগত আমি কিমান পিচ পৰি আছো, বিশেষকৈ বিজ্ঞান ও কাৰিগৰী শিক্ষাৰ ক্ষেত্ৰত। পৃথিবীৰ উন্নত সমাজবোৰৰ খোজতে খোজ মিলাই আগ বাঢ়িবলৈ হলে বিজ্ঞান শিক্ষা আমাৰ বাবে আমাৰ বংশধৰ সকলৰ বাবে 'ফৰ্জ'। নহলে আমি বহু পিচপৰি থাকিম।

আকৌ এবাৰ সকলোৰে পৰা সহায় সহ-যোগিতা, অনুপ্ৰেৰণা, আশীৰ্ব্বাদ আৰু শুভেচ্ছা কামনা কৰি লিখনিত অজানিত ভুলৰ মাৰ্জ্জনা কামনা কৰি ইয়াতেই সামৰিলোঁ। ধন্যবাদ ইতি—

কবিতা

## প্ৰতিজ্ঞা

আলীম হুছাইন
বি, এ, ১ম বাৰ্ষিক ।

তুমি কিমান দিন ফাকি দিবা ?
সেয়া চোৱা—
বুভুক্ষাৰ আৰ্ত্তনাদে আকাশ কপাই তুলিছে ঃ
“ আমাক লাগে জীয়াই থকাৰ সম্বল.......”

আমাৰ বুকুৰ তেজেৰে তোমাৰ
মুখৰ হাঁহি কিমান দিন জিলিকাবা ?
আমি ভয় নকৰো শত্ৰুক
কিন্তু ক্ষমাও নকৰো বিশ্বাসঘাটকতাক ।

আমিতো ৰাজ-প্ৰসাদ বিচৰা নাই
বিচাৰিছো জীয়াই থাকিবলৈ—
দুবেলা দুমুঠি অন্ন,
লাজ ঢাকিবলৈ এডোখৰ কাপোৰ

কি পাওঁ ?
জীয়াই থকাৰ বিনিময়ত আমি ।
আমাক কিমান দিন ফাকি দিবা ?
সংগ্ৰামৰ কাৰণে আজি প্ৰতিজ্ঞাবদ্ধ;
আমাৰ সাথীহঁতে গগণ কপাই তুলিছে ঃ
“ আমাক লাগে বিশ্বাস ঘাটকতাৰ তেজ ” ।

## —ঃ ক্ষিপ্ৰ সময় ঃ—

মোঃ স্বাহজামাল সিকদাৰ
প্ৰথম বাৰ্ষিক বিজ্ঞান শাখা ।

এটি পৱিত্ৰ মন
আছিল গন্ধ বিহীন জ্বলৰ দৰে,
ক্ষিপ্ৰ সময়ে কৰিলে উন্মনা—
আৰু মাদকতাই ছাটি ধৰিলে ।
সুদুৰ নিলীমাত উৰিছিল এদিন
পখিৰ দৰে, ঢেউকা মেলি,
কোনোবাই আহি সজাত বান্ধিলে
সোণালী পাখিবোৰ উভালি উভালি ।
পঞ্চভৌতিক দেহৰ পল অনুপল
আজি বিকৃত ৰূপ ধাৰণৰ উপক্ৰম,
যিকোনো মূহুৰ্ত্ততেই জিউ যাবৰ হ’ল
আৰু নাভাঙে কেতিয়াও এইমহা ভ্ৰম ।
জৰা-জীৰ্ন শেতা পৰা আকৃতি—
হয়তো এক জীৱন্ত কংকাল
এয়ে নেকি সময়ৰ গতি,
ৰবনে বাৰু হৈ চিৰ তেজাল ??



Nabajyoti College, Kalgachia
Estd. 1971
(Assam)

## সম্পাদনা সমিতি—১৯৮২-৮৩ ইং চন।



বাওঁফালৰ পৰা বহি থকা ক্ৰমে— অধ্যাপক, শ্ৰীভগীৰথ নাথ (সদস্য) উপাধ্যক্ষ, এম, মোজাম্মেল হুছেইন (উপ-সভাপতি) অধ্যক্ষ, আব্দুছ ছাত্তাৰ আহ্মেদ (সভাপতি) অধ্যাপক, শ্ৰীলম্বিত কোৱৰ (তত্বাৱধায়ক আলোচনী) সাঃ সঃ এম, মজিবৰ ৰহমান খান ।

বাওঁফালৰ পৰা থিয় হৈ থকা ক্ৰমে— জহিৰুল হক (সদস্য) মিছ মাহমুদা খানম (সদস্যা) মাজেদুৰ ৰহমান (সম্পাদক আলোচনী) মোঃ খোৰশেদ আলম (সদস্য)



**Delowar Hossain**
Best of week



**Mazedur Rahman**
Editor (Magazine)

গল্প

# — বিদায় পৃথিৱী —

হজৰত আলি আহমেদ
বি, এ, ১ম বাৰ্ষিক ।

জীৱন ! জীৱনটো নো কি ? এটিক্ষণ ! এটি মুহূৰ্ত্ত !! হয়তো এপাহি ফুলৰ সৌৰভ !!! যি ফুলৰ সৌৰভ বিচাৰি কৰিম আহিছিল দিপালীৰ জীৱনলৈ। হাইস্কুলীয়া জীৱন শেষ কৰি দুয়ো কলেজীয়া জীৱন আৰম্ভ কৰিছিল। উঠি অহা নৱ-যৌৱনে দুয়োকো বৰকৈ আমনি কৰিছিল। দুয়ো ভালপোৱাৰ মাদকতা বিচাৰিছিল। ভাল পোৱাৰ অপূৰ্ব্ব চাৱনিয়ে ইজনে সিজনক আকৰ্ষণ কৰিছিল। এদিন ক্লাচত অধ্যাপিকা মিচ্ ভট্টই শিকোৱা 'ডান্টে আৰু বিয়েট্ৰীচৰ প্ৰেম কাহিনী' গল্পটো শুনি দুয়োৰো মন ৰোমাঞ্চিত হৈ উঠিছিল। দুয়ো ভালপোৱাৰ সপোন দেখিছিল। প্ৰেমৰ সোৱাদ বিচাৰি এদিন দুয়ো দুয়োকো প্ৰতিশ্ৰুতি দিছিল, মিলন গীতি গাবলৈ। দুয়ো জাহাজ মেলিছিল প্ৰেম সাগৰত।

দিপালীহঁতৰ ঘৰৰ পৰা ডেৰ কিলোমিটাৰ মান নিলগত কৰিমহঁতৰ ঘৰ। নিচেই কাষতে কলেজখন। দুয়ো একেলগে কলেজলৈ অহা যোৱা কৰিছিল। গোপনে দুয়োৰে মাজত প্ৰেম পত্ৰৰ বিনিময় হৈছিল আৰু প্ৰেমৰ আলাপ-আলোচনা চলিছিল। লগৰীয়া বন্ধু-বান্ধৱী সকলে সিহঁতক মাজে সময়ে জোকাইছিল।

দিপালীৰ দেউতাক সিহঁতৰ কলেজখনৰে এজন অধ্যাপক। তেওঁ মেধাৱী ছাত্ৰ হিচাবে কৰিমক বৰ মৰম কৰিছিল। কৰিমেও অধ্যাপক হিচাবে তেওঁক সন্মান কৰিছিল। মাজে সময়ে কৰিমে দিপালীহঁতৰ ঘৰলৈ গৈছিল আৰু দিপালীক লগ ধৰি নানা কথা আলোচনা কৰিছিল। দিপালীৰ মাকেও কৰিমক বৰ মৰম কৰিছিল।

দিনৰ পিছত দিনবোৰ পাৰহৈ যায়, দুয়ো বি, এ, পাছ কৰে; কিন্তু সত্য কেতিয়াও লুকাই নেথাকে ই এদিন প্ৰকাশ হৈ যায়। সিহঁতৰ গোপন প্ৰেম, গোপন হৈ নেথাকিল। এদিন দুদিনকৈ সিহঁতৰ প্ৰেম কাহিনী চাৰিও পিনে ৰাষ্ট্ৰ হৈ যায়। এই বাতৰি দিপালীৰ মাক দেউতাকৰো কাণত পৰে। প্ৰথমে তেওঁলোকে কথাটো বিশ্বাস কৰিবলৈ টান পাইছিল, কিন্তু যেতিয়া দিপালীৰ পৰা কথাটো জানিলে তেতিয়া স্পষ্ট হৈ গ'ল। তেওঁলোকে কেতিয়াও ভবা নাছিল যে, যি ফেঁটি সাপক সিহঁতে গাখীৰ খুৱাইছে— সেই ফেঁটিসাপে সিহঁতক দংশন কৰিব। তেওঁলোকে যি কল্পনা কৰিছিল সি সম্পূৰ্ণ বিপৰীত আছিল। এই ঘটনাই দিপালীৰ মাক-দেউতাকৰ অন্তৰত বৰকৈ আঘাত

হানিছিল। যাৰ বাবে মাকে দুয়োৰো প্ৰেম আৰু মিলনৰ মাজৰ উপগ্ৰহ হৈ থিয় দিছিল। ফল স্বৰূপে দুয়ো , দুয়োৰে পৰা আতৰি থাকিব লগীয়া হৈছিল। এদিন মাকে দিপালীক অকলে কোঠালীত লগধৰি কৈছিল, 'দিপালী' ! তই যি কৰিছা ভালেই কৰিছা। তোৰ পৰা আমি কেতিয়াও এনেকুৱা অপবাদ বিচৰা নাছিলোঁ। এজনী শিক্ষিতা হিন্দু ছোৱালী হৈ— তই এজন মুছলিম লৰাক ভাল পোৱাটো আমি পছন্দ নকৰো। যিহেতু আমাৰ এখন সমাজ আছে, ৰীতি-নীতি আছে, ধৰ্ম্ম আছে, জাতি আছে—তাক তই পাহৰি গলি ? এয়ে জানো আধুনিক শিক্ষাৰ ফল ? তোৰ দেউতাৰা কলেজৰ এজন অধ্যাপক— অধ্যাপক হিচাপে সমাজত তেখেতৰ এটি সন্মান আছে। আমাৰ এই মান-সন্মানলৈ চাই,— 'মই তোৰ মা হিচাপে শত শত বাৰ অনুৰোধ কৰি কৈছো'— 'তই তোৰ এই মত সলনি কৰা উচিত'।

মাকৰ সকলো কথা দিপালীয়ে শুনি গৈছিল। তাই মাকৰ কথাৰ প্ৰতিবাদ কৰিবলৈ বহুতো যুক্তি আছিল, কিন্তু প্ৰতিবাদ কৰা নাছিল। কিয়নো প্ৰতিবাদ কৰিলে মায়ে অন্তৰত বৰ কষ্ট পাব। মাকৰ প্ৰতিটো কথাই তাইৰ অন্তৰত দংশন কৰিছিল। মাথো নীৰৱে থাকি বেদনাত ছট্-ফটাই তাই উচুপি উচুপি চকুলো টুকিছিল। মাকে বুজিবলৈ চেষ্টা কৰা নাছিল—তাইৰ অন্তৰৰ বেদনা। প্ৰেমৰ বিচ্ছেদ বেদনা যে কিমান, তাক মাকে অনুভৱ কৰা নাছিল। এয়ে জানো মাতৃ হৃদয়! জাতি, ধৰ্ম্ম, সমাজ, ৰীতি-নীতি, মান-সন্মান আদিৰে মাকে প্ৰেমৰ দাম নিৰুপন কৰিছে। কিন্তু মাকে বুজিবলৈ চেষ্টা নকৰিলে যে, প্ৰেমে জাতি, ধৰ্ম্ম আদিৰ কথা বিচাৰ নকৰে। প্ৰেমে বিচাৰে দুটি হিয়াৰ পৱিত্ৰ মিলন। ৰীতি-নীতি, মান-সন্মান, জাতি, ধৰ্ম্ম, সমাজ আদিৰে মাকে প্ৰেমৰ মূল্য কমাই দিলে। দেউতাকে মাথো কৈছিল, তাই শিক্ষিতা ছোৱালী হিচাপে যিহকে ভাল বুলি ভাবে তাকে কৰা উচিত।

সময়বোৰ পাৰ হৈ যায়— ই কাৰো বাবে অপেক্ষা নকৰে, সময় অনিৰুদ্ধ। সকলো অদৃষ্টৰ লিখন! নিয়তিৰ নিষ্ঠুৰ বিধান !!

হাঁহি আৰু চকুলোৰ অপূৰ্ব্ব মিলন
এয়ে হায়! মানৱ জীৱন।

মাথো চকুলোকে জীৱনৰ সাৰথি হিচাপে লৈ, দিপালীয়ে মাকক কৈছিল,— 'তোমালোক সুখী হোৱা। তোমালোকৰ ৰীতি-নীতিৰ কঠোৰ সজাৰ মাজত ময়ো বন্দী'।

ইয়াৰ কিছুদিন পিছত মাক দেউতাকৰ অনুৰোধ ক্ৰমে, দীপালীয়ে গুৱাহাটী বিশ্ব-বিদ্যালয়ত এম. এ. পঢ়িবলৈ যায়। কৰিমেও যায়। দিপালীয়ে গাল্‌ৰ্চ হোষ্টেলত থাকিবলৈ লয়। কৰিমে মেচত প্ৰৱেশ কৰে। দুয়ো নিয়মিতৰূপে ক্লাচলৈ যায়, কিন্তু কাৰো মনত অকণো শান্তি নাই। ঘোৰ নিৰাশাই দুয়োকো খুলি খুলি খাব ধৰিলে। অতীতৰ মধুৰ স্মৃতিবোৰ ৰোমন্থন কৰি এদিন কৰিমে Class ছুটিৰ পিছত গাল্‌ৰ্চ হোষ্টেলৰ ৰাস্তাৰ সন্মুখত অপেক্ষা কৰি থাকে— দিপালীক লগ ধৰিবলৈ। ক্ষন্তেক পিছতে দিপালীক অকলে অকলে আহি থকা তাৰ চকুত পৰে। কাষলৈ আহি পোৱাৰ লগে লগে সি দিপালীক মাত দিলে— 'দিপালী'! দিপালীয়ে মূৰ তুলি দেখিলে— 'ক-ৰি-ম'। কৰিমক দেখি তাই আচৰিত হৈ গ'ল। লাহে লাহে তাই বাক্‌শক্তি কমি অহা যেন অনুভৱ কৰিলে। তাই কৰিমক কিবা কব বিচাৰিছিল কিন্তু কব নোৱাৰিলে। মাথো নীৰৱে কৰিমৰ পিনে একে থৰে চাই থাকিল। কৰিমেও তাইৰ পিনে একে দৃষ্টিত চাই থাকিল। দুয়ো নীৰৱ,—

কৰিম আৰু দিপালী,
দিপালী আৰু কৰিম!

মূহুৰ্ত্তৰ ভিতৰত কিছুমান অনু বতাহত উপঙি ফুৰা দুয়ো দেখিবলৈ পালে। কিছু সময়



পিছত কৰিমে কলে, 'দিপালী',—

তুমি মোক পাহৰি গৈছা নহয় নে?
দিপালীয়ে উত্তৰ দিলে,

পাহৰিবলৈ চেষ্টা কৰিছো; কিন্তু পাহৰিব পৰা নাই। তাইৰ দুচকুত দুধাৰি চকুলো বৈ আছে। কৰিমৰো চকুপানী আহে। তাই কৰিমক কলে, 'আপুনি মোক পাহৰি যাবলৈ চেষ্টা কৰিব। ইয়াকে কৈ তাই কৰিমৰ পৰা বিদায় ললে।

প্ৰেমৰ বেদনা বুকুত বান্ধিলৈ দুয়ো এম.এ. পৰীক্ষা দি ঘৰলৈ গুচি আহে। তিনি মাহ পিছত ফলা-ফল ঘোঁষণা হয়। দুয়ো প্ৰথম বিভাগ অধিকাৰ কৰে। ইয়াৰ এমাহ পিছত কৰিমে আলিগড় আইন বিশ্ব-বিদ্যালয়ত আইন পঢ়িবলৈ গুচি যায়। দিপালীয়ে স্থানীয় কলেজ খনতে অধ্যাপিকা হিচাবে চাকৰি জীৱন আৰম্ভ কৰে। কিন্তু তাইৰ মনত অকণো শান্তি নাই। হাঁহি-তামচা, আনন্দ-স্ফূৰ্তি ৰং-ধেমালি, প্ৰেম-প্ৰীতি আল্লাই তাইৰ অন্তৰৰ পৰা কাঢ়িলৈ গৈছে। পৃথিৱীত তাই কাৰ বাবে জীয়াই থাকিব। জীয়াই থকাই যদি 'জীৱন'—তেন্তে তাইৰ জীৱন আছে— নহলে নাই। তাই সময় মতে কলেজলৈ যায় আৰু ছুটিৰ পিছত ঘৰলৈ গুচি আহে। চকুপানী আৰু বিছনা খনেই তাইৰ একমাত্ৰ লগৰী। বেদনাৰ জুঁইয়ে তাইৰ অন্তৰখন পুৰি ছাই কৰি দিছে। বেদনাৰ এই গধুৰ বোজা বহন কৰিব নোৱাৰি, কৰিমৰ পৰা শেষ বিদায় বিচাৰি তাই কৰিমলৈ লিখিছে,—

প্ৰিয়তম মোৰ,

শেষ মৰম কণ লব। মোৰ সকলো আশা মায়ে চুৰমাৰ কৰি দিছে। আপুনি মোক চিৰ দিনৰ বাবে পাহৰি যাব। আপোনাক দিয়া প্ৰতিশ্ৰুতি মই ৰক্ষা কৰিব নোৱাৰিলো। তাৰ বাবে মোক ক্ষমা কৰিব। মোৰ বাবে বাটচাই আপুনি আপোনাৰ অন্তৰখনক কষ্ট নিদিব। আপুনি সুখী হবলৈ যত্ন কৰক। ভাল পোৱাৰ অনল শিখাৰে দগ্ধ জীৱনৰ চিতাভস্মত গঠিত হওঁক এটি নতুন জী-ৱ-ন। তাকেই কামনা কৰি,—

চিৰদিন হওঁক সুখী কৰোঁ আশীৰ্ব্বাদ
আপোনাৰ সুখতে সুখী হম চিৰকাল॥

ইতি—

আপোনাৰ অভাগিনী—
'দিপালী'

কৰিমে চিঠিখন পাই বৰ আনন্দিত হৈছিল। কিন্তু চিঠিখন পঢ়ি সি কান্দি পেলাইছিল। সি যি আশা কৰিছিল, যি সুখৰ সংসাৰ ৰচনা কৰাৰ সপোন দেখিছিল— সি আজি চুৰমাৰ হৈ গ'ল। কৰিমে দিপালীৰ চিঠিৰ উত্তৰত তাইলৈ লিখিছে,— 'প্ৰেমৰ এনাজৰীডাল বৰ দীঘল। আমাতকৈ আমাৰ প্ৰেমৰ মুল্য অধিক ওপৰত'।

সুদীৰ্ঘ চাৰি বছৰ পিছত কৰিমে আইন বিশ্ব-বিদ্যালয়ৰ পৰা আইন উপাধিলৈ ঘৰলৈ ওভতি আহে। সি ঘৰলৈ আহি দেখিলে দিপালীয়ে চাকৰি জীৱন আৰম্ভ কৰিছে। অসম চৰকাৰে কৰিমক চাকৰিৰ বাবে আহ্বান জনালে কিন্তু কৰিমে চাকৰি প্ৰত্যাখান কৰিলে। সি জানিব পাৰিলে যে, দিপালীৰ দেউতাকে দিপালীৰ বিয়াখন স্থানীয় কলেজ খনৰে এজন অধ্যাপকৰ লগত ঠিক-ঠাক কৰিছে। বিয়াৰ দিন তাৰিখ ধাৰ্য্যকৰা হৈছে। এই বাতৰি পাই কৰিমে শেষ বিদায় বিচাৰি দিপালীলৈ লিখিছে,

প্ৰিয়তমা মোৰ,

মোৰ শেষ মৰম লবা। পিছত তুমি যে ইমান নিষ্ঠুৰ হবা— তাক মই কেতিয়াও ভবা নাছিলো। এয়েই জানো প্ৰেমৰ প্ৰতিদান! এয়েই জানো প্ৰেমৰ মুল্য !! ক্ষমা কৰিবা মোক চিৰদিনৰ বাবে। তথাপি কৰিছো অপেক্ষা মই, 'প্ৰিয়তমা, তোমাৰ বিয়াৰ শেষ মুহুত্তটিলৈ,

তোমাৰেই অন্তিম দানক শ্ৰেষ্ঠ স্থান দি
সঘনে কৰিম পূজাঁ মন্দিৰত বহি॥

সুখী হোৱা। ইতি—

তোমাৰ……… …

'কৰিম'

কৰিমৰ পৰা চিঠিখন পাই দিপালীৰ সৰ্ব্ব-শৰীৰ ক'পি উঠিল । তাই ভাবিছিল কৰিমে তাইক পাহৰি যাব। কিন্তু কৰিমে তাইক পাহৰিব পৰা নাই । পাহৰিবও নোৱাৰে । প্ৰকৃত প্ৰেম কেতিয়াও নমৰে। ই চিৰদিন অমৰ হৈ থাকে । দিপালীয়ে নিশ্চয় ভুল কৰিছে। যাৰ বাবে তাই নিজকে অপৰাধী অপৰাধী যেন ভাবিছে । সচ'াকৈয়ে দিপালী কৰিমৰ ওচৰত অপৰাধী। কিন্তু কৰিমেতো নাজানে দিপালীৰ মনৰ বেদনা । তাই বুজিব পাৰিছে প্ৰেমৰ মূল্য কিমান। উপায়হীন হৈ তাই অপেক্ষা কৰিছে , বিয়াৰ শেষ মুহূৰ্ত্তটি লৈ। তাই ভাবিছে 'প্ৰিয়তম' নিশ্চয় আহিব। বিয়াৰ কাম প্ৰায় শেষ হৈ আহিছে। এনেতে কোনোবাই খবৰ দিলে যে, কৰিমে আত্মহত্যা কৰিছে । এই বাতৰি পাই দিপালীয়ে বিজুলী চেৰেকণিৰে আকাশখন তাইৰ মূৰৰ ওপৰত খহি পৰা অনুভৱ কৰিলে আৰু লগে লগে যতনাই থোৱা এটোপাল বিষ— মুখত দি মাটিত ঢলি পৰি মুখেৰে উচ্চাৰণ কৰিলে, 'বিদায় পৃথিৱী' ! বি-দা-য় !!

## —ঃ কণ্ঠস্বৰ ঃ—

শামচুণ নাহাৰ
বি. এ. ১ম বাৰ্ষিক

কণ্ঠস্বৰ তিক্ত ব্যথা ভৰা অই
আজি জাগৰণ গান গায় ।
নৱ অভয় বীৰ কোন সিহ'ত
উচ্ছাস সিন্ধুত আগুৱাই যায় ।
ঠন ধৰি উঠা হেৰ নিৰ্বোদ গাজী
শুন জেহাদৰ বিজয়ী গান,
স্বদেশ ধৰ্মৰ বাজিছে দামামা মধুৰ
ওলাই আহ উন্মত্ত প্ৰাণ ।
ৰণ ডঙ্কা নিনাদ কেউ ফালে শুণ
শংকা পৰিহৰি উঠাহে ভাই
কণ্ঠস্বৰ আজি মুক্ত উদাত্ত ভীষণ
দাও মোৰ শুবৰ সময় নাই ।



গল্প

# জীৱন আৰু জগত !!!

মহঃ খোৰসেদ আলী
বি. এ. ১ম বাৰ্ষিক ।

চ'ত মাহৰ মাজ ভাগ তেতিয়া। মনত বিষাদ ভৰা ভাৱলৈ ধৰ্মপুৰ গাওঁৰ উত্তৰ ফালৰ এটা পুৰি যোৱা ঘৰৰ ভিটাত নতুনকৈ বন্ধা জুপুৰি ঘৰ এখনৰ পৰা ওলাই আহিল বুঢ়া খগেন কলিতা। প্ৰথমতে তেওঁ পুব আৰু উত্তৰৰ পথাৰ দুখনলৈ স্থিৰ ভাৱে লক্ষ্য কৰিলে কিন্তু হঠাতে বুঢ়া থমকি ৰ'ল, কাৰণ চ'ত মাহৰ মাজ ভাগ এতিয়া কিন্তু পথাৰৰ কৰ্মী মানুহ ক'ত। তেওঁ নিজকে নিজে প্ৰশ্ন কৰিব ধৰিলে। তাৰ পিছত তেওঁ দক্ষিণ ফালৰ বিশাল খেতি পথাৰলৈ চকুযুৰি নিক্ষেপ কৰিলে, কিন্তু হায় সেই পিনেও জন প্ৰাণী শূন্য। তেতিয়া সহজ সৰল মনৰ খগেন কলিতাই নিৰিহ খেতিয়ক ৰাইজৰ অভাৱনীয়া ক্ষতি আৰু ধ্বংসৰ কথা উপলব্ধি কৰি এটা দীঘল হুমুনীয়াহ কাঢ়ি মনে মনে মাথো এই যাৰ কথা কৈ উঠিল যে, 'শেষ হৈ গল অসম বাসীৰ চিৰ ভ্ৰাতৃত্ব। যুগযুগ ধৰি গঢ়ি উঠা বিভিন্ন সম্প্ৰদায়ৰ নিবিড় মিলা প্ৰীতি দুদিনতেই শেষ হৈ গ'ল'। এনেকৈ মনে মনে কল্পনা কৰি মনটো জুৰ পেলাবলৈ ওচৰৰে মানাহ নদীৰ পাৰ বুলি যাত্ৰা কৰিলে, কিন্তু এই জন বুঢ়াই তাতো এ:কা শান্তিৰ পোহৰ দেখা নেপালে বৰং তাত ঢৌবোৰৰ উত্থান পতন দেখি মনত বিৰূপ ভাৱলৈ আহিল।

নৈ খনক কেতিয়াবা ৰাসক্ষী বুলি গালি পাৰিবৰ মন যায় খগেন বুঢ়াৰ। বৰ্ত্তমানৰ শান্ত সৌম্য মূৰ্ত্তিটো দেখি ওলাই অহা গালিবোৰ থমকি ৰয়। একে নদী খনে যে, কেতিয়াবা কি সংহাৰ মূৰ্ত্তি ধৰে কল্পনাওঁ কৰিব নোৱাৰি। এৰা সকলোবোৰ ভগৱানৰ সৃষ্টি— বুঢ়াৰ ভাৱবোৰ আকৌ খেলি মেলি লাগি গ'ল। বয়সে আচুৰিব নোৱাৰা দেহটোক এই কেইটামান মাহৰ চিন্তাই ঠেকেচি পেলালে। আজি অলপ খোজ কাঢ়িলেই এন্ধাৰ এন্ধাৰ দেখে আৰু আজি নিজেই প্ৰশ্ন কৰিছে, হে প্ৰভু মোৰ কি আছে ? কি দিছা তুমি মোক ?" হেৰাই যোৱা দেহৰ শক্তি খিনিৰ উমাণ লবলৈ চেষ্টা কৰিলে, তেওঁৰ তো সকলো আছিল, দেহত প্ৰচণ্ড শক্তি, মনত সাহস আৰু— । গোহালী ভৰা গৰু, ভৰাল ভৰা ধান আৰু ঘৈনীয়েক আৰু একমাত্ৰ পুতেক নৃপেন— এই বিলাক কথা মনত পৰিলেই বুকুখন ফাটি যাব খোজে। চকু পানীৰে দুগাল ভৰি পৰে। ওলাই আহিব খোজা কান্দোন জোৰকৈ চেপি

ৰাখিলে ।

নাই— ইয়াত কান্দিব নোৱাৰি, চিতাৰ উজ্জ্বল প্ৰকোষ্টৰ তলত শান্তিৰে শুই থকা সকলক জগাব নুখুজিলে। খগেন বুঢ়াক অসংলগ্ন চিন্তাবোৰে জুমুৰি দি ধৰিলে ।······· সেইদিনাখনো পুৰিছিল । সেই যে·······এৰা চাওঁতে এই বছৰেই পূৰ হ'ল। পাৰ হৈ যোৱা বছৰটোৰ আজিৰ দিনটোতে হয়তো···· আৰু ভাৱিব নোৱাৰিলো । ৰাতিপুৱাতে গাওঁৰ ডেকাহঁত আহিছিল । সিহঁতে হেনো চাৰিআলিৰ চ'কত নাম ঘৰৰ কাষত কিবা কৰিছে। ফুল নিবলৈ আহিছিল, এৰা সিহঁতে ফুল নিবলৈ আহিছিল, আজি ফুলেৰে হয়তো তাৰ ছবি খন···· ঠিক যে সিহঁতে দিছিল সেইদিনাখন···· আৰু ভাৱিব নোৱাৰিলো। মনটো টন-টনাই উঠিল। দুৰৈৰ কোনোৱা এঠাইৰ পৰা এটা মিঠা বৰগীতৰ সুৰ কলিতা বুঢ়াৰ মনলৈ ভাহি অহা যেন অনুভৱ হ'ল। কিন্তু বৰগীতটোও বহুত পৰিবৰ্ত্তন লাগিল । খগেন বুঢ়াই থিয় হ'ল। ইয়াত দেখিলেই কোনোৱাই আকৌ কিবা সুধিব ! নহলে হয়তো সান্ত্বনা দিয়াৰ সুৰতে কৰ্ব, 'ভাগ্য খগেন খুড়া ভাগ্য' ভগৱানে আমাক আহিব দিছে আৰু ভগৱানৰ প্ৰয়োজন হলেই আমাক লৈ যাব। কিমান শুনিব বুঢ়া খগেন কলিতাই সেই একে কেইষাৰ সান্ত্বনাৰ বাণী। এনে বিলাক কথা আজি গোটেই বছৰ শুনোতে শুনোতে বিৰক্তি লাগি গৈছে। ভগৱান ? ভগৱান কত আছে ! কিন্তু নুশুধে। ভয় হয় জানোনে সুধিলেই খগেন কলিতাক পগলা বুলি কয়। গহীন প্ৰকৃতি লৈ দৃষ্টি নিক্ষেপ কৰি বেগা বেগিকৈ খোজ ললে ঘৰলৈ, কিন্তু ক্লান্ত পৰি শ্ৰান্ত শৰীৰটোক বৈ নিয়াৰ ক্ষমতা হেৰাই পেলালে। ওচৰতে গছ এজোপা দেখি বহি পৰিল। মাইলৰ পাছত মাইল খোজ কাঢ়িছিল। ভৰা নৈ সাতুৰি পাৰ হৈছিল। তেতিয়াতো ভাগৰে জুমুৰি দি ধৰা নাছিল, কিন্তু আজি ! ভাগৰত খোজ কণ দিবলৈ দেহত শক্তি নাই। স্বৰাজ পোৱাৰ আগতে কমখন কষ্ট কৰিছিল নে ? স্বৰাজ বুলিলে ভাতৰ পাতৰ পৰাওঁ দৌৰি গৈছিল। এতিয়া স্বৰাজ নামটো শুনিলেই টিঙিচকে খঙটো উঠে। ক্ষুণ্ণ, দুখ বেজাৰ আৰু ক্ষোভত "স্বৰাজ" বুলি কৈ থু, থু দিলে কলিতা বুঢ়াই। কি পালে ? কি দিলে স্বৰাজে, স্বৰাজৰ সময়ত বৃটিছৰ পদধূলি শিৰত লৈ বগা বঙালক বৰ ঘৰৰ পৰা মজিয়াত বহুৱা সেই সকল নেতাই উঠি ৰজা বহি ৰজা হ'ল ; আৰু খগেন কলিতাহঁতৰ দৰে বোকাই পানীয়ে দিনক ৰাতি, ৰাতিক দিন কৰি ফুৰা সকল গোলাম হ'ল ; আৰু সেই স্বাৰ্থান্ধ নেতৃত্বৰ বলি হ'ল খগেন কলিতাই।

২৫ বছৰীয়া আশাৰ সৌধ নিষ্ঠুৰ নিয়তিৰ এটি চাওঁনিত ভাহি গ'ল । হেৰাই থাকিল জীয়াই থকাৰ আশা মৰহি গ'ল । উদ্যম আৰু জীৱাই থকাৰ প্ৰেৰণা। অসংলগ্ন ভাৱে পুৰণি স্মৃতিবোৰে আমনি কৰিব ধৰিলে । কাৰণ ঘৰত আহিয়েই ঘৈনীয়েক দিপালীৰ সেঁতাপৰা মুখ খনেই মনৰ আবেগ গভীৰ কৰি তুলিলে। এক মাত্ৰ পুত্ৰ ২৫ বছৰীয়া ডেকা নৃপেনৰ বাবে ক'ত কি যে নকৰিব। হেজাৰ হেজাৰ কল্পনাৰ কাৰেংঘৰ সজাই দুয়ো বুঢ়া বুঢ়ীয়ে পাৰ কৰিছিল, স্বপ্ন বিভোৰ বহুতো নিশা। কিন্তু ? সেই স্বপ্নবোৰ স্বপ্ন হৈয়ে ৰ'ল । কাৰণ একমাত্ৰ পুতেক নৃপেন আকৌ সেই স্বৰাজৰ কাৰণেই কুচক্ৰান্তকাৰীৰ হাতৰ বলি হ'ল । দুখ বেদনাত জৰ্জৰিত বৃদ্ধ খগেন কলিতাই সেয়ে ভগৱানক মাজে মাজে প্ৰশ্নকৰে হে ভগৱান এই তিনি কুৰি বছৰেও মোক কিয় এনেকুৱা দুখ দিলা। মই কাৰ পানী খোৱা পুখুৰীত বিষ দিছিলো ? কিহৰ বাবে মোৰ সংসাৰৰ সুখ কাৰি নিলা······ কিহৰ বাবে·········কোৱা ভগৱান মই কি দোষ কৰিলো ? চিৰ আকাংক্ষিত মৃত্যু কল্পনাত চকুহাল মুদ খাই গ'ল বুঢ়াৰ। দিপালীৰ কোলাত মূৰটো থৈ হুক হুকাই এটা শিশুৰ দৰে কান্দি দিলে আৰু দিপালী·········দিপালীয়ে কান্দিব খুজিও কান্দিব



নোৱাৰিলে, মাথো চাই ৰ'ল গিবিয়েক খগেন কলিতাৰ দাৰি গোফে ভোবোকাৰ মুখ খনিলৈ। হয়তো তাৰ মাজত পুতেক নৃপেনৰ কিবা ছাঁ পায় বুলি। ············ বৃদ্ধ খগেন কলিতাৰ চকুত পুৰণি দিনৰ মধুৰ স্মৃতিবোৰ ভাহি উঠিল। চহৰত পৰি থকা একমাত্ৰ পুতেক নৃপেনে যেতিয়া আহি কৈছিল; 'দেউতা এইবাৰ বৰ ডাঙৰ আন্দোলন হব, তাহানিতে আপোনালোকে কৰা স্বৰাজ আন্দোলনতকৈও ডাঙৰ এইয়া অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন অসমীয়া জাতীয়ে অস্তিত্ব ৰক্ষাৰ বাবে কৰা আন্দোলন'।

[ ১৯৫১ চনৰ পাছত অহা সকলো অবৈধ প্ৰবেশকাৰী সেই সকল হিন্দু বা মুছলমান বা বঙালী নতুবা আন যিকোনো জাতিৰে নহওঁক কিয় অসমৰ পৰা বহিস্কাৰ কৰিবই লাগিব। )

আৰু কৈছিল 'যেতিয়া আন্দোলন সফল হব তেতিয়া আমি খুব স্ফুৰ্ত্তি কৰিম। আমাৰ যথেষ্ট সুখ হব'।

············তাৰ কিছুদিন পিছত এদিন খগেন কলিতাই এটা দীঘল শোভাযাত্ৰা অহা দেখিলে । চাওঁতে চাওঁতে শোভাযাত্ৰাটো খগেন কলিতাৰ ঘৰৰ সন্মুখতে ৰ'ল । স্ফুৰ্ত্তিত খগেন কলিতাই হাঁহিব খুজিও থমকি ৰ'ল। মানুহবোৰৰ মুখবোৰ দেখোন শুকান, কিবা এটা বেদনাৰ ছাই আগুৰি ধৰি আছে। এওঁলোক ইমান গহীন কিয় ? কিবা এক অজান আশংকাত খগেন কলিতাৰ অন্তৰ কপি গ'ল। ঘৰৰ চালত উঠি কাউৰী দুটামানে বৰকৈ চিঞৰিছে। কিবা এটি যেন অমঙ্গল হৈছে । মানুহবোৰ কান্দিছে কিয় ? সিহঁতে সেইয়া ভাঁৰ বান্ধি কি আনিছে ? ইমানবোৰ ফুল ! ফুলবোৰ কিয় আনিছে ? ইহতৰ মাজত দেখোন নৃপেন নাই। তাৰমানে, তাৰমানে নৃপেন···· আৰু ভাৱিব নোৱাৰিলে । পৃথিৱীখন চকুৰ আগৰ পৰা আতৰি গ'ল। খগেন কলিতাই অনুমানতে যেন সকলো বুজি পালে । ফুলৰ মাজত লুকাই থকা নৃপেনৰ হাঁহি ভৰা মুখ খন চাই কান্দিব নোৱাৰিলে । পূৰণি স্মৃতিবোৰ মনত পেলাই তাৰেই কথা কৈ দিপালীয়ে কান্দিব ধৰিলে। বুকুফাটি যোৱা মাতৃৰ কৰুণ চিঞৰে উপস্থিত সকলোকে ম্ৰিয়মান কৰি তুলিলে। পুত্ৰশোকত অধীৰ হৈ নিয়তিৰ ওপৰত কটাক্ষ দৃষ্টিৰাখি পাগলীৰ দৰে কবলৈ ধৰিলে। 'হে ভগৱান মই তোমাৰ বিচাৰত ইমানেই দোষীনে যে, মোৰ একমাত্ৰ সন্তান নৃপেনক তুমি কাঢ়ি নিলা' ? খগেন কলিতাই কিন্তু কান্দিব নোৱাৰিলে । আপোন পজাঁটিৰ ভিতৰত গৈ বহুদিন আগতে নৃপেনে আনিথোৱা অসমৰ মেপখন আনি পুতেকৰ লগতে শুৱাই দিলে। বিভিন্ন কাঠেৰে সজা চিতাৰ অগ্নি স্ফুলিংগ জ্বলি নুঠা পৰ্য্যন্ত বুঢ়াই আপোন পুত্ৰৰ মুখ খনি বাৰে বাৰে দেখিলে। মানুহবোৰে ভাবিলে খগেন কলিতাই এইবাৰ বলীয়া হব । সচাঁকৈয়ে আজি নৃপেনৰ পিতৃ সৃষ্টিৰ অভিশাপ আৰু মানুহ সমাজ বলীয়া শ্ৰেণীৰ ব্যক্তি হিচাপে পৰিগণিত হ'ল। কেতিয়াবা নৃপেন, নৃপেন বুলি নৈৰ পাৰৰ চিতা ঘাটলৈ যায়। আৰু তাৰ চিৰ চেনেহী দুখীয়া জননীয়ে ভাত কেইটা বাঢ়ি ভুলতে নৃপেন, নৃপেন বুলি মাতে। চহৰৰ পৰা মানুহ আহিলেই নৃপেন ভালে আছেনে সোধে। এৰা চাওঁতে চাওঁতে এটা বছৰ পূৰ হ'ল । আজিৰ এই দিনটোতে এটা বছৰ আগতে নৃপেনে প্ৰাণ দিছিল।

অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে ডেকা, বুঢ়া, ল'ৰা-ছোৱালী; আইতা সকলোৰে একগোট হৈ অহিংসা আন্দোলন চলালে । অহিংসাৰ পুজাৰী মহাত্মাগান্ধীৰ ফটোৰ শ্বহীদৰ কেঁচা তেজৰ চেকুৰা লাগিল । মাথো মৃত্যুৰ আগতে নৃপেনে কৈ গ'ল 'জয় আই অসম জয়·························।'

এটা দিবা স্বপ্নৰ ভিতৰত নৃপেন আৰু শোভাদলৰ স্মৃতি জাগি উঠিল বুঢ়াৰ হিয়াত আৰু তেওঁ

শুনিবলৈ পালে নৃপেনৰ দেশ-প্ৰেমমূলক বাণী। অসম মাতৃক কুচক্ৰান্তকাৰীৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিমেই। পুতেকৰ কথাবোৰ উপলব্ধি কৰি আন্দোলন নকৰো বুলি শপত খোৱা খগেন কলিতাই অন্তৰৰ আবেগত কব ধৰিলে 'বাইজ মই এই বৃদ্ধ খগেন কলিতাই কৈছো আমি আমাক পাহৰি গলে নহব। এই বিপদৰ সময়ত আমি হিন্দু-মুছলমান, অসমীয়া, গাৰো, কছাৰী সকলোৱে একগোট হৈ অসম মাতৃক বিপদৰ পৰা ৰক্ষা কৰিমেই। নহলে অসমবাসীৰ অস্তিত্ব পৃথিৱীৰ পৰা হেৰাই যাব। সহজ অসমীয়া খেতিয়ক এজনে ঠিক এনেবোৰ কথা মনত উপলব্ধি কৰিছে এনে পৰিবৰ্ত্তনৰ বাবে খগেন কলিতাই নিজকে নিজে জগতৰ অভিশপ্ত বুলি অনুভৱ কৰিলে। হঠাৎ বুকুৰ ওপৰত বিষ অনুভৱ কৰিলে। চকুৰ আগতে ভাহি উঠিল দিপালীৰ পূৰ্বৰ হাঁহি ভৰা মুখ আৰু বৰ্ত্তমানৰ মলিন সেতা পৰা মুখ খনিলৈ।

মন সাগৰত চিন্তা আৰু কল্পনাৰ ঢৌ খেলিবলৈ ধৰিলে। পুতেক নৃপেনে যেন হাত বাউলি মাতিছে; বুঢ়াই চাৰিও পিনে এন্ধাৰ এন্ধাৰ দেখিলে। সৌৱা কোন ? নৃপেন! ইমান ওপৰত ! নৃপেনক ধৰিবলৈ হাতখন মেলিদিলে। তলৰ পৰা দিপালীয়ে টানি ধৰিছে। দিপালী তই আহিলি, চাওঁ মোক এৰিদে; মোক নৃপেনে মাতিছে। মইওঁ তাৰ লগত যাম। মইও আন্দোলন কৰিম। তহঁতে এটা নৃপেনক মাৰিলে দুটা নৃপেন আহিব। দুটা মাৰিলে চাৰিটা আহিব; চাৰিটা মাৰিলে..........হেজাৰ হেজাৰ আহিব তহঁতে কিমান মাৰিবি ? নোৱাৰ! নোৱাৰ !! আমাৰ এই গতিক তহঁতে ভেটিব নোৱাৰ !!!

আই অসম আমি শোষণ মুক্তি কৰিমেই। নিজ মাতৃক শৃংখল মুক্তি কৰাটো প্ৰতিজন অসম বাসীৰ কাৰণে দেৱীপুজাতকৈয়ো ডাঙৰ জ্ঞত হব। খগেন বুঢ়াৰ অসংলগ্ন কথাবোৰ সৰু হৈ আহিল। শেষত শ্বহীদ বেদীত মূৰ পেলাই গুণ গুণাই কৈ উঠিল—'জয় আই অসম'।

> মাতৃ ভূমি ৰক্ষাৰ্থে যদি কেচা ৰক্তৰ প্ৰয়োজন হয়, সেই ৰক্ত হব লাগিব অতিকৈ পৱিত্ৰ য'ত নিহিত হৈ থাকে সহস্ৰ মানুহৰ জয় গান।
>
> গাজী মুস্তাফা কামাল পাছা।



গল্প

# নতুন প্ৰেমিক

এম, ৰহমান
২য় মহলা পি, ইউ

অন্তৰত ভয়ৰ পৰা সাহ গোটাওঁ। ভাবো আজি যি হয় হব, কৈ দিম। মনতে শব্দ কেইটা আওঁৰাই চাওঁ, মই তোমাক ভাল পাওঁ। ছিঃ লাজ লাগে, নোৱাৰিম। নোৱাৰাৰ কাৰণটো অৱশ্যে লাজতকৈ ভয়হে বেছি। কিন্তু কথা হ'ল তেওঁ মানে মনিয়ে বা কি কয় ? মনিকাই ব্ৰহ্মপুত্ৰৰ প্ৰলয়ঙ্কৰী বান হৈ মোক উটুৱাই নিনিয়েতো ? বৰ ডাঙৰ সমস্যাত পৰিলো। সমস্যাটো সমাধান কৰো কেনেকৈ ? আমাৰ সমাজতো ইংলেণ্ডৰ সমাজ নহয় যে কৈ দিম 'I love you' আৰু মনিয়ে যদি ইচ্ছা নকৰে সহজ ভাবে কৈ দিব 'No'। পিচে ভয় বা লাজত পচি মৰিব লাগিব। সমস্যা সমাধান নহয়। মই কবই লাগিব অতি সোনকালে। সেয়ে নহলে মোক খুলি খুলি খাব যেন দেখিছো। ক'লা বিভাগৰ ছাত্ৰ হিচাপে আজি কলেজীয়া জীৱনত দুই বছৰে বহুতো Problem সমাধান কৰিছো। কিন্তু মনিক লৈ মোৰ মনৰ মাজত দেখা দিয়া Problem অতি কঠিন যেন লাগিছে। এৰা, কিবা উপায়েৰে সমাধান নকৰিলে নহব। মই ভাবৰ সাগৰত বুৰ গলো। মনক বহু প্ৰকাৰে বাধা দিলো। কিন্তু মনে নামানে। মই বাৰু এতিয়া কি কৰো ? আপুনি হয়তো মোক পাগল বুলি ভাবিছে নহয় ? ভাবিলেও ভাবক। মই কিন্তু প্ৰলাপ বকা নাই। যি কৈছো সি নিৰ্ঘাত সত্য। সচাঁকৈয়ে মনিয়ে মোৰ তেজ মঙহৰ শৰীৰত কিবা এক বিজুলীৰ প্ৰবাহৰ সঞ্চালন কৰিলে। সেই সঞ্চালন আজি লৈ মোৰ যোৱা নাই আৰু বা কিমান দিনলৈ ?

মনিক লগ পাইছিলো জুন মাহৰ কোনোবা এটা তাৰিখত। তাৰিখটো সিমান ভালকৈ মনত নাই। বৰপেটাৰোডৰ পৰা কলগাছিয়ালৈ আহোতে বাছৰ ভিতৰত প্ৰথম দেখা পাইছিলো। পিছ দিনা কলেজত এডমিচনৰ কাৰণে পদুলি মুখতে অলপ সময় থিয় দি আছিলো। পুতুলৰ অপেক্ষাত, সিওঁ অহাৰ কথা, সি এন, জে, কলেজতে আজি তিনি বছৰ আছেহি। গতিকে তাৰ লগত গলে নতুন কলেজ খনৰ বিষয়ে কিছু জানিবও পাৰিম আৰু দুই-চাৰি জন বন্ধুৰ লগত দেখা হব আৰুচিনাকিও হব পাৰিম। অলপ নিলগত দেখিলো সি আহি আছে আৰু তাৰ আগে আগে কোনোবা এজনী ছোৱালী। ছোৱালী জনী অলপ চিনাকি মানে

কৰবাত দেখা যেন পাওঁ, হয় নেকি বাৰু ? যোৱা কালি গাড়ীত লগ পোৱা গঙ্গা টোপ ফেৰিয়েইবা? অলপ সময়ৰ পিচত ছোৱালী জনী মোৰ কাষেদি পাৰ হৈ গ'ল। এৰা হয়তো। মই ভবাই, কালি গাড়ীৰ ভিতৰত কাৰোফালে নোচোৱাকৈ গদ গদ চিত্তে বহি অহা সেই ছোৱালী গৰাকী। মোৰ মাতিবৰ মন গৈছিল 'ঘৰ ইয়াতে নেকি ?' নাই নোৱাৰি। কালিয়ে যি হৈছে আৰু। গাড়ীৰ ভিতৰত অহা ডেকা শ্ৰেণীৰ চকু এটা বিন্দুত পৰিছিল। মোৰো এবাৰ কি হ'ল জানে ? মই গাড়ীৰ পৰা নামি আহোতে কিবা ৰূপে তাইৰ যি ৰঙা চকু দেখা পালো আজিও মই খোদা খোদা বুলি সুৱৰিছোঁ।

মই একেথৰে তাইৰ ফালে চাই ৰলোঁ। এটা সময়ত পুতুলৰ হাত মোৰ পিঠিৰ ওপৰত পৰিছিল। 'বসন্ত ড্ৰাইভাৰ হলি নেকি বুলি মই কৈ উঠিছিলো। তাৰ আগত মইও অপ্ৰস্তুত হলো। তাৰ ফালে নোচোৱাকৈয়ে কৈছিলো— 'পলম কৰিলি দেখোন ?" ছোৱালী জনীৰ বিষয়ে তেতিয়া তাক একো সোধা নাছিলো। অলপ দিন যোৱাৰ পাচতহে গম পালো। সেয়া মনিকা দেৱী। গাৱৰ খ্যাতি-সম্পন্ন পৰিয়াল দুৰ্ল্লভৰ দুহিতা। কোন বাৰ্ষিকৰ ছাত্ৰী তাকে জানিলো পুতুলৰ পৰা। পুতুলে নোকোৱা হলেওঁ মনিয়ে মহা বিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ ক'লা বিভাগৰ ছাত্ৰী সেইটো উদ্ধাৰ কৰিব পাৰিলোহেতেন।

গুনিয়ালগুৰীত পঢ়ি, থাকোতেওঁতো বহুতো ছোৱালীক দেখা বা লগ পাইছিলো কিন্তু মনিৰ নিচিনা ছোৱালী আগতে দেখা মনত নপৰে। প্ৰথম অৱস্থাতে অৱশ্যে অন্য দহ গৰাকীৰ লগৰে এগৰাকী বুলি ভাবিব পাৰিছিলোঁ। কিন্তু পিছলৈ লাহে লাহে নোৱাৰা হৈ আহিলোঁ। মনি মোৰ বাবে এক নতুন বস্তু হৈ পৰিল। মনিৰ বিষয়ে জানিবলৈ তাইৰ মনৰ ভাৱ বুজিবলৈ ওচৰ চপাৰ এটা তেনেই জয়-ঘন্টা কোবোৱাদি কোবাইছে। কি কৰিম উপায় নাই।

উপায়তো বহুত উলিয়াওঁ কিন্তু কতো ফলৱতী হব পৰা নাই। নোৱাৰিমেই নেকি বাৰু? নোৱাৰিলে, জিন্দেগী বৰবাদ হো জায়গা মেৰা। পাৰিবই লাগিব। প্ৰথম অৱস্থাত কি কৰো জানে? কলেজ টাইমৰ ঠিক আধা ঘন্টা আগতে সাজি-কাচি ওলাই থাকো। মনিহঁতৰ দলটো আমাৰ ঘৰৰ ওচৰেদি যায়। আৰু মই ? ময়ো সিহতৰ পাচ লওঁ। এটা সময়ত সিহঁতৰ নিচেই কাষেদি বেগেৰে পাৰ হৈ যাওঁ যেন ফোঁফোঁৱাই যোৱা এম্ বাচাদবে ৰাস্তাৰ ওপৰত থকা গাইজনীক হে ক্ৰচ কৰিছে। মই পাৰ হৈ যোৱাৰ লগে লগে এজাউৰী হাহিঁয়ে মোক উৰুৱাই নিয়া যেন লাগে। মনিহঁতে হাঁহিছে মোকে হাঁহিছে নেকি ? যদি হয় কিয় হাঁহিছে বাৰু ? মইনো সিহঁতক কি কৰিলো ? ড্ৰেছ যোৰেই বেয়া হৈছে নেকি ? গাৰ ফালে ঘুৰি চাওঁ ঠিকে আছে। কিয় বেয়া হব ? বেয়া হবলৈকে মই কলেজ আৰম্ভ হোৱাৰ এঘন্টা আগৰে পৰা সাজিছিলো নেকি ? নে পাউদাৰ বেছি হল বা ? খোজবোৰো দেখোন ঠিকেই পেলাইছো তেনে-হলে ? নাই সেইটো হবই নোৱাৰে। মই পাৰ হলে সদায় হাঁহে। উলটি সুধিবৰ মন যায়, নোৱাৰো সোধাহে, নালাগে; উলটি চোৱাৰো সাহস। নহয় এৰা, কলেজৰ পৰা উলটি আহোতে মনি অকলশৰে আহে। তেতিয়াই সুধিব লাগিব। কলেজ ছুটি হয়। মনি আহে, অকলে ময়ো আহো। বাটত ক্ৰচ কৰো, কিন্তু আজিলৈকে সুধিব পৰা নাই।

এদিন এটা বুদ্ধি পাঙিলো। মই আৰু মনিক আগেয়ে মাতিব নোৱাৰিম। মনিয়েহে মোক আগে মাতিব লাগিব। সেইদিনা কলেজৰ পৰা উভতিছো। মই অলপ আগ, মনি অলপ পিছ। মোৰ লগতো কোনো নাই। আৰু তাইয়ো সেই অকলে অৰ্থাৎ নিসঙ্গ। এটা কাম কৰিলো। ঘৰ পাবলৈ মাত্ৰ অলপ হে বাকী। খপ কৰি পকেটৰ পৰা ৰুমালখন টানি আনিলো, ৰুমাল



মোৰ নাকৰ সন্মুখ পালেগৈ। চকু-মুখ মোহাৰিলো। খৰখেদাকৈ আৰু অলপ দুৰ আহি ৰুমাল পকেটত ভৰালো। হাতেৰে পকেটৰ চুকে কোনে কিবা এটা বিচাৰিলো। নাই কৰবাত পৰি গ'ল নেকি ? বোধকৰো নহয়। নিশ্চয় হালধীয়া খামটো চাগৈ মনিৰ হাতৰ পৰশত আৰু উৰ্জ্জল হৈ উঠিছে। মই কিবা অমূল্য সম্পদ হেৰোৱাৰ দৰে ঘুৰি লৈ অহা বাটে খোজ ললো। অকণমান গৈয়ে মনিক লগ পালো। কতা ? মনিয়ে দেখোন তন্নমুৰ কৰি ৰাস্তাৰ শিলগুটি গনণা কৰি গহীন গম্ভীৰ ভাবে গতিহে কৰিছে। তাই দেখোন মোক একো নকলে যে 'আপোনাব কি হেৰাইছে ? নাই ময়ে সুধো নেকি—'হালধীয়া খাম এটা পাইছে ?' নাই নোৱাৰিলো। অলপদুৰ আগবাঢ়ি গৈ দেখো হালধীয়া খামটো ফাগুণৰ বতাহে উৰুৱাই নি কাষৰ গড়-খাৱৈত পেলাই দিছে। এৰা, সৌটো হালধীয়া খাম, পানীত উপঙি আছে। খালী খামটোৰ ভিতৰত এটা বগা কাগজহে গৈছে। তাততো একো নাই। পিছে ভয় আৰু লাজ লাগিল। মনিই, মোৰ প্লেনটোৰ ভু পোৱা নাইতো।

এবাৰ এবাৰকৈ বহুতো অভিযানত পৰাজয় বৰণ কৰিলোঁ। আজি আৰু পোন পটিয়াকৈ কৈ দিব লাগিব। এই অমঙ্গলীয়া ভাবৰ ওৰ পেলাব নোৱাৰিলে ই মোক খুলি খুলি খাব। কিন্তু এতিয়া কওঁনো কেনেকৈ ? মনিকাই দেখোন মোৰ ফালে ঘুৰিয়ে নাচায়। বোধ হয় ঘিণহে কৰে। ঘিণ কৰিলেও কৰিব, কিবা কলেও কব। আজি কম বুলিছোঁ, কমেই। মনক বহুতো বাধা দিছো নামানে ? আজি-কালি দেখোন মোক দেখিলে মনিৰ লগৰীয়াহঁতে তাইক ফিচিঙা-ফিচিঙি কৰি দেখুৱায়। কিয় বাৰু ? মোৰ আৰু তাইৰ বিষয়ে সিহতেওঁ আলোচনা কৰে নেকি ? কৰিলেতো কাম হাচিলেই। ইয়াকে ভাবি কলেজৰ পৰা ৰাওনা হলো ঘৰলৈ। খোজ পেলাবৰ মন যোৱা নাই। খুব মন্থৰ গতিত আহি আছো মনি মোতকৈ অলপ পিছ। লগ নাপাওঁহে নাপাওঁ। মোৰ খং উঠিছে। বৰ শান্তি সীতা দেখুৱাইছে ? বাটত মোক cross কৰি গলে চৰিত্ৰৰ কলংকিত হব ? বাৰু ক্ৰচ নকৰাকৈনো কেনেকৈ থাকে দেখা যাওঁক। ৰেডি হলো টানিং-টোৰ কাষতে। মনি আহি মোৰ কাষ পালেহি। মোৰ গাত বিজুলী সোঁত প্ৰবাহিত হোৱা যেন লাগিল। কান দুখন গৰমহৈ পৰিল। ভৰি দুখন কত মই নিজেই কব নোৱাৰো। মনি ঠিক কাষ পোৱাৰ লগে লগে কি কম কি নকম লাগিল। হঠাৎ মুখৰ পৰা ওলাই পৰিল, 'মনি' উত্তৰত শুনিলো 'কিয় মাতিলে' ? কোৱাৰ কৌশল বিচাৰি ৰবৰ সময় নহল। সেই সময়ত মই আৰু কব নোৱাৰাহৈ গলো। পোনপোটীয়াকৈ কৈ দিলো যে মই তোমাক ভাল পাওঁ। লাজ আৰু খঙত মনি ৰঙা পৰিল। 'ননচেন্স' বাটৰ ছোৱালীক জকাবলৈ লাজ নালাগে। কৈয়েই হংসগামিনী মনিয়ে কেঁচাই খাইতী গোসাইনীৰ ৰূপলৈ বহু দুৰলৈ গুচি গল। আৰু মই ? সেইফালে একেথিৰে চাই ৰলোঁ। ভাবিলো মই কি কৰিলো। ভাগ্য ভাল মনিৰ ভৰিৰ চেন্দেলৰ কোব মোৰ গালত নপৰিল। নোকোৱাই ভাল আছিল। এতিয়া কোৱাৰ চিন্তাই মোক আগতকৈও টেটু চেপা দিব জানো ?

প্ৰবন্ধ

# শিক্ষা আৰু পৰিবেশ

ছলিম উদ্দিন আহম্মেদ
প্ৰথম বাৰ্ষিক স্নাতক (ক'লা)

অমাৱস্যা ৰাতিৰ ঘোপমৰা এন্ধাৰ আঁতৰাই সুৰ্য্যই পৃথিবীৰ বুকুত পোহৰ বিলাই সকলোকে আলোকিত কৰাৰ দৰে প্ৰকৃত শিক্ষাৰ জ্যোতিয়ে মানুহৰ মনৰ দিগ উজলাই তোলে। আয়না এখনৰ সন্মুখত থিয় দিলে যেনেকৈ নিজৰ শৰীৰটো দেখা পোৱাৰ উপৰিও আয়নাখনৰ সন্মুখত থকা বিভিন্ন বস্তুৰ প্ৰতিবিম্ব দেখিবলৈ পোৱা যায় ঠিক সেইদৰে প্ৰকৃত শিক্ষা আহৰণ কৰি প্ৰতিজন ব্যক্তিয়ে নিজৰ প্ৰতিচ্ছবি আৰু সমাজখনৰ বাস্তৱ ৰূপ উপলব্ধি কৰিব পাৰে।

ভাৰতবৰ্ষ প্ৰাচীন সভ্যতাৰ আদি কেন্দ্ৰ। সেয়ে আবহমান কালৰ পৰাই ভাৰতবৰ্ষই শিক্ষাক মানৱ জীৱনত এটা উচ্চ স্থান দি আহিছে। অৱশ্যে বিভিন্ন যুগত; বিভিন্ন দেশত, বিভিন্ন ধৰণৰ পৰিবেশ সৃষ্টি হোৱাৰ লগে লগে শিক্ষা সৰ্ম্পকে মানুহৰ যি ধাৰণা তাৰ সাল-সলনি হৈ থকা দেখিবলৈ পোৱা যায়। পাভ্লও (Pavlove) মেগডুগল (Mecdougall) প্ৰভৃতি পণ্ডিতে প্ৰমাণ কৰি দেখুৱাইছে যে শিক্ষা লাভ সকলো প্ৰাণীৰ পক্ষেই সম্ভৱ; কিন্তু প্ৰকৃত শিক্ষাৰ ক্ষেত্ৰত পৰিবেশৰ যি নিবিড় সম্পৰ্ক তাক কেৱল মানুহেইহে সৃষ্টি কৰিব পাৰে; জীৱ জন্তু বা নিৰ্জ্জীৱ পুথি ভৰাল এটিয়ে নোৱাৰে। সেয়েহে স্বামী বিবেকানন্দই ভাবিছিল যে যদি জ্ঞান আৰু শিক্ষাক একেটা শাৰীতে থোৱা যায় তেন্তে পুথি ভঁৰাল বিলাককেই জ্ঞানী বোলা হ'লহেতেন আৰু বিশ্বকোষ সমূহ জ্ঞান বিশাৰদ বুলি পৰিগণিত হলহেতেন। সি যিয়েই নহওঁক ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্টকৈ বুজিব পাৰি যে ভাটৌ এটাক ধৰ্ম্ম শাস্ত্ৰৰ কথা বা নীতি শাস্ত্ৰৰ শ্লোক কিছুমান মাতিবলৈ শিকালেই ভাটৌটো ধাৰ্মিক বা নীতি বিশাৰদ বুলি পৰিগণিত নহয়। সেয়ে শিক্ষা নো কি সেই কথা জনডিওয়েক ব্যাখ্যা কৰিছে যে 'পৰিবেশৰ লগত ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ফলত মানুহৰ অভিজ্ঞতাৰ যি বাহ্যিক পৰিপুষ্টি সাধন হয় সেয়েই শিক্ষা'। এই দৃষ্টি কোণৰ পৰা চালে শিক্ষা সমাজ বা পৰিবেশৰ লগতহে যে বেছি ওতপ্ৰোত ভাবে জড়িত তাক আমি একবাক্যে স্বীকাৰ কৰিব লাগিব। সেয়েহে কিছুমান পণ্ডিতে সমাজক শিক্ষাৰ প্ৰয়োগ ক্ষেপ্ৰ বুলি অভিহিত কৰিব বিচাৰে এই শ্ৰেণীৰ শিক্ষা বিদ সকলে শিক্ষাৰ লক্ষ্য নিৰ্দ্ধাৰণতো শিক্ষাৰ সমাজ কেন্দ্ৰীকতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। সমাজৰ সৎ কামত আত্ম-নিয়োগৰ প্ৰচেষ্টাই ব্যক্তি বিশেষৰ সৎ শিক্ষা বুলি এওঁলোকে ভাবে।

সমাজ এখন উন্নতিৰ পথত আগবাঢ়ি যাবলৈ হলে তাত বিভিন্ন ধৰণৰ সেৱা কাৰ্য্যৰ প্ৰয়োজন। প্ৰতিজন ব্যক্তিয়ে সেয়ে সমাজৰ উন্নয়ণ কল্পে যিটো দিশত সেৱা আগবঢ়াব বিচাৰে সেই দিশৰ প্ৰকৃত লক্ষ্য নিৰ্দ্ধাৰণ কৰাৰ ওপৰতো শিক্ষাৰ সফলতা নিৰ্ভৰ কৰে। গুৰি ধৰোঁতা নোহোৱাকৈ যি দৰে নাও এখন কোনো নিৰ্দ্দিষ্ট স্থানত উপনীত হব নোৱাৰে, সেইদৰে লক্ষ্যবিহীন শিক্ষাই ব্যক্তি বিশেষক প্ৰগতিৰ শীৰ্ষ বিন্দুলৈ আগবঢ়াই নিব নোৱাৰে।

শিক্ষাৰ ক্ষেত্ৰত কেৱল লক্ষ্য নিৰ্দ্ধাৰণ হলেই যথেষ্ট নহয়। তাৰ বাবে তীক্ষ্ণ আত্মনিষ্ঠা আৰু ব্যক্তি বিশেষৰ কিছুমান বিশেষ গুণ থকা প্ৰয়োজন, এই গুণবোৰ ব্যক্তি বিশেষে কিছুমান পায় পিতৃ-মাতৃৰ পৰা জন্মগত ভাবে আৰু কিছু পায় সমাজৰ প্ৰভাৱৰ পৰা পৰিবেশৰ মাজত ঠেকি দেখি আৰু অধ্যয়ণ কৰি। শিক্ষা মনোবিজ্ঞানত শিক্ষালাভৰ ক্ষেত্ৰত এই দুটিকেই ক্ৰমে বংশগতি আৰু পৰিবেশৰ প্ৰভাৱ বুলি কোৱা হৈছে।

ব্যক্তি বিশেষৰ শিক্ষা লাভৰ কেচা সামগ্ৰী মাক বাপেকৰ প্ৰকৃত অনুযায়ীহে তেওঁলোকৰ সন্তান সন্ততিৰ নিজৰ যোগ্যতা প্ৰস্ফলিত হয়। কিন্তু মনোবিজ্ঞানৰ এইটো তত্ত্বৰ প্ৰয়োজনিক দিশলৈ লক্ষ্য কৰিলে বাস্তৱ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰমো পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে উনুকিয়াব পাৰি যে বাঘৰ পোৱালী এটিয়ো সদায় শিয়ালৰ দলত থাকি ডাঙৰ দীঘল হলে ই সম্পূৰ্ণ ৰূপে নহলেও শিয়ালৰ দৰে আংশিক আচৰণ কৰিবলৈ ধৰে। এইদৰে লক্ষ্য কৰিলে দেখা যায় যে পৰিবেশ যদি বেয়া হয় শিশুও জন্মৰ পিছৰ পৰা পৰিবেশৰ সংস্পৰ্শত বেয়া হৈ উঠে কেতিয়াবা কেতিয়াবা দেখা যায় যে ভাল বংশ গতিৰ শিশু এটিও পৰিবেশৰ ছাপত পৰি বেয়া হবলৈ আৰম্ভ কৰে। সৎশিক্ষা আহৰণৰ পৰিবৰ্ত্তে অসৎ শিক্ষা বা বেয়া অভ্যাসৰ বশবৰ্ত্তী হয়। সেয়েহে এই শ্ৰেণীৰ ব্যক্তিয়ে সমাজৰ প্ৰগতিত নৈতিক অবিহণা যোগাব নোৱাৰে।

শিক্ষা ক্ষেত্ৰত সামাজিক পৰিবেশৰ প্ৰভাৱ বুলিলে আমি পৰিয়ালৰ পৰা আৰম্ভ কৰি স্কুল, সমাজ কৃষ্টি, সাংস্কৃতি, ধৰ্ম্মানুষ্ঠান আদি সকলো বোৰৰ প্ৰভাৱকেই বুজো। আকৌ শিক্ষা বুলিলে যিহেতু মানুহৰ জীৱণব্যাপী হোৱা অভিজ্ঞতাক বুজো। মানৱ জীৱণৰ শৈশৱ কালটো হ'ল শিক্ষা জীৱণৰ আৰম্ভণি। সেয়েহে শিক্ষা জীৱনৰ শৈশৱৰ পৰিবেশটোৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰাটো প্ৰয়োজন। শিশু শিক্ষাৰ প্ৰাথমিক পৰিবেশ হল ঘৰখন। ঘৰত থকা মাক-বাপেক, ভাই-ভনী আদিয়ে যি পৰিবেশ সৃষ্টি কৰে শিশুৱে সেই পৰিবেশত তেনে শিক্ষাই পায়। জন্মতে মানুহ আৰু অইন জীৱ জন্তুৰ মাজত কোনো প্ৰাৰ্থক্য নাথাকে। কিন্তু মানৱ শিশুৰ ডাঙৰ হোৱাৰ লগে লগে বংশগতিৰ ফলত পাই অহা বিচাৰ শক্তিৰ কিঞ্চিৎ বিকাশ সাধন হলেও ই দুৰ্ব্বল হোৱাৰ বাবে প্ৰচলিত পৰিবেশক সমৰ্থন কৰি সেই পৰিবেশক অনুকৰণ কৰি বিভিন্ন শিক্ষা লাভ কৰে। সেয়েহে মাক দেউতাক আৰু ঘৰৰ প্ৰয়োজ্যোষ্ঠ মানুহে শান্তি পূৰ্ণ ভাবে সৰল জীৱন যাপন কৰি শিশুক সেইবোৰ অনুকৰণ কৰাত সহায় কৰিব লাগে আৰু বিভিন্ন বিষয়ৰ জ্ঞান দান কৰিব লাগে।

এই খিনিতে পিতৃ-মাতৃয়ে শিশুৰ মানসিক শক্তিৰ মুক্তি-মুক্ত বিকাশৰ বাবে খেল-ধেমালিকে আদি কৰি বিভিন্ন সা-সুবিধা দিয়াত প্ৰস্তুত থাকিব লাগে আৰু কঠোৰ দমন নীতিৰে শাসন নকৰি বেয়া অভ্যাস গঠনৰ বিপৰীতেহে প্ৰয়োজন অনুসৰি শাসন কৰিব লাগে।

এইখিনিতেই শিশুৰ শিক্ষাৰ ক্ষেত্ৰত মুক্ত পৰিবেশৰ প্ৰয়োজনীয়তা উল্লেখ কৰা প্ৰয়োজন। শিশুৱে মুক্ত ভাবে বিকাশ হবলৈ নাপালে কেতিয়াবা কেতিয়াবা তাৰ সৎ আচৰণ সমূহো বিকাশ হোৱাত বাধা প্ৰাপ্ত হয়। পৰিয়ালৰ জনবহুলতা, কলহ প্ৰিয়তা, পৰিয়ালত অত্যাধিক আনুষ্ঠানিক কাৰ্য্য-সুচী প্ৰভৃতিয়ে শিশুৰ আত্ম শক্তি বিকাশত বাধাৰ সৃষ্টি কৰাৰ উপৰিও পঢ়া শুনাত ব্যাঘাত জন্মায়। সেয়েহে প্ৰাচীন কালত ভাৰতবৰ্ষত গুৰুৰ আশ্ৰমত থাকি শিশুৱে শিক্ষা লাভ কৰাৰ ব্যৱস্থা আছিল।

পৰিয়াল বা ঘৰখনৰ দৰে শিশুৱে পঢ়া-শুনা কৰা স্কুল ঘৰখনো ভাল হোৱা প্ৰয়োজন। স্কুলৰ পৰিবেশত বিশেষকৈ শিশুৰ নিয়মানুবৰ্ত্তিতা, সু-শাসন শীলতা, পৰিস্কাৰ পৰিচ্ছন্নতা, শাৰীৰিক ব্যায়াম আদি শিক্ষাৰ সু-ব্যৱস্থা থাকিব লাগে। শিশু যিহেতু বেচি অনুকৰণশীল; সেয়েহে শিক্ষক সকলৰ ব্যৱহাৰ, চৰিত্ৰ, চলন-ফুৰণ, কথা-বতৰা আদি আদৰ্শনীয় হব লাগে। এই বিলাক গুণৰ অভাৱ হলে তেওঁ ছাত্ৰৰ শ্ৰদ্ধাভাজন হব নোৱাৰে। শিক্ষা ক্ষেত্ৰত শিক্ষকে নিজক উচ্চতৰৰ মানুহ বুলি নাভাবি শিশু ছাত্ৰ সকলোৰে লগত সদায় ভাতৃ ভাবে বা ফুলনিৰ মালীৰ দৰে নম্ৰ হৈ শিক্ষা দান কৰিব লাগে।

স্কুলৰ বাহিৰেও যি পৰিবেশত থাকি শিশু ডাঙৰ দীঘল হয়, সেই পৰিবেশৰ মানুহ বোৰেও সৎ আৰু সৰল জীৱন যাপন কৰিলেহে শিশুৱে সৎ হবলৈ ধৰে। এটুকুৰা লোক পিটি হাল বাবলৈ নাঙলৰ ফাল তৈয়াৰ কৰি শস্য উৎপাদন কৰা হয় আকৌ সেই টুকুৰা লোৰ পৰাই বন্দুক তৈয়াৰ কৰি হাজাৰ হাজাৰ মানুহৰ জীৱন ধ্বংস কৰিব পাৰি। লো টুকুৰাক নাঙলৰ ফাল বা বন্দুক তৈয়াৰ কৰা যি দৰে নিৰ্ভৰ কৰে লো টুকুৰাক গঢ় দিওঁতাৰ ওপৰত ঠিক সেইদৰে শিশুক ভবিষ্যত সমাজৰ ভাল বা বেয়া নাগৰিক গঢ়ি তোলাটো নিৰ্ভৰ কৰে সমাজ বা পৰিবেশৰ ওপৰত। এইদৰে সামাজিক কৃষ্টিকলা, ধৰ্ম্মীয় অনুষ্ঠান প্ৰভৃতিৰ পৰাও শিশুৱে বহুতো কথা শিকিব পাৰে। মানুহ বিচাৰ বুদ্ধি সম্পন্ন জীৱ; সেয়ে নৈতিকতা আৰু ধৰ্ম প্ৰৱণতা মানুহৰ মাজত বিদ্যমান। ই অইন জীৱ জন্তুৰ মাজত নহয়। সেয়ে শিশু এটিও পশুত্বৰ পৰা মানৱত্বৰ উন্নত পৰ্য্যায়লৈ আগবাঢ়োতেই নৈতিক আৰু ধৰ্মীয় শিক্ষাৰ প্ৰয়োজন

গতিকে আধ্যাত্মিক উন্নতিক শিক্ষাৰ এটা প্ৰধান লক্ষ্য বুলি স্বীকাৰ কৰিব লাগিব আৰু শিক্ষাৰ প্ৰত্যেক স্তৰতেই ধৰ্ম্মীয় শিক্ষা দানৰ ব্যৱস্থা থাকিব লাগে। এই প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ সমাজৰ প্ৰতিটো সামাজিক অনুষ্ঠান, ধৰ্ম্মীয় অনুষ্ঠান কলাকৃষ্টি আৰু বিভিন্ন উৎসৱ আদি অবৈষম্য নিষ্কলুষ আৰু আদৰ্শনীয় হব লাগে। তেতিয়াহে উঠি অহা ল'ৰা-ছোৱালীবোৰে সেইবোৰ অনুকৰণ কৰি নৈতিকতা আৰু আধ্যাত্মিকতাৰ ডোলেৰে বান্ধ খাব আৰু ভবিষ্যতে ভাতৃভাবে সকলোৱে বস বাস কৰি দেশ তথা সমাজ এখনত শান্তিৰ সৰগ কৰি গঢ়ি তুলিব পাৰিব।

বিঃ দ্ৰঃ— প্ৰৱন্ধটি যুগুত কৰোঁতে বিভিন্ন কিতাপৰ সহায় লোৱা হৈছে।



# কবিতা

## অৱশেষ

অধ্যাপিকা, চৈয়দা মেহেৰুন্নীছা বেগম

এজোপা নাহৰ ফুল
        এটি বসন্তৰ আগমণ।
এটি দুটি কলিৰ
        শুভ আগমণ;
তেজ ৰঙা কলিবোৰে
        মন পচুৱাই;
মলয়া বতাহৰ চেঁৱে চেঁৱে
        হঠাতে বহাগীৰ আগমণ।
বৰদৈ চিলাৰ সতে
        তেজ ৰঙা কলিবোৰে
                মিছিকিয়াই হাহিলে,
দেখিছানে বাৰু বৰদৈ চিলা
        থপিয়াই লৈ যায়?
এটি দুটি কলি আৰু
        মিঠা মিঠা পাহিবোৰ
শুকাই মেৰেলি যোৱা,
        গছকত গুৰি হোৱা
অৱশেষখিনি বাৰু
        মন দাপোণত
প্ৰতিবিম্বিত হ'ল
        জানো কাৰোবাৰ॥

## —ক্ষত চকুলো—

মাজেদুৰ ৰহমান
বি, এ, প্ৰথম বাৰ্ষিক

আবেগ ক্লিষ্ট
        মধুৰ স্পৰ্শ
মৰম সিক্ত
        সজল চকুলো
স্পৰ্শ-কাতৰ
        সান্তনাৰ মাত
তোমাৰ উষ্ণবুকু মোৰ বাবে!
        খেদি ফুৰা দুখ,
        অবাঞ্চিত ভয়,
        অসীম বেদনা
        সকলো সহি
মই নিৰাপদ তোমাৰ বুকুত।
হঠাৎ, তুমি ঠেলি দিলা মোক
        হিংসা-নিৰ্য্যাতনৰ
            মহা সমুদ্ৰত।
তুমি জানো জানা?
মোৰ অন্তৰ আৰু আত্মাই চিঞৰে
দুনিবাৰ চিঞৰ ......... ... মৰমৰ মাতৃ,
    ক্ষত চকুলো অবিৰাম বয়
        তোমাতেই বিচাৰি আশ্ৰয়।

# আমাৰ দক্ষিণ ভাৰত ভ্ৰমণ

মহঃ খোৰসেদ আলম

সিদিনা আছিল শুক্ৰবাৰ। আমি বঙ্গাইগাওঁ ৰেলষ্টেচনৰ কেবিনত অলপ জা-জলপান খাই শিক্ষাগুৰুদ্বয়ৰে সৈতে বঙ্গাইগাওঁৰ পৰা কলিকতালৈ যোৱা ৰেলগাড়ীখনৰ কাৰণে বাটচাই আছিলোঁ। বিশাল দেশখনৰ বিভিন্ন প্ৰান্তত ফুৰা চকাৰ কাৰণে সতৰ্ক আৰু চাল-চলনৰ উপদেশবাণী শুনি-শুনি ক্ষন্তেকীয়া সময়খিনি কটাইছিলোঁ।

চাওঁতে চাওঁতে আবেলি চাৰি বজাত আমাৰ গাড়ীখনে হিস্ হিস্ শব্দৰে ষ্টেচনৰ পৰা আগুৱাব ধৰিলে আৰু লগে লগে মোৰ কোমল বুকুৰ ধপ্ ধপনিয়ে আগন্তুক যাত্ৰাৰ বাবে সহাৰি জনাইছিল, অৱশ্যে অজান যাত্ৰাৰ কাৰণে মনটো ভাঙিপৰা নাছিল।

ৰাতিৰ আহাৰ, আমি ৰেল গাড়ীতেই গ্ৰহণ কৰিছিলো। অসমৰ পশ্চিম সীমা পাৰ হৈ আমি যেতিয়া পশ্চিম বঙ্গত উপস্থিত হৈছিলো, তেতিয়াই চিৰ চেনেহী মোৰ ভাষা জননী, অসমীয়া ভাষাই আমাৰ পৰা বিদায় লৈছিল। অৱশ্যে আমি এইটো সুইচ্ছাই কৰা নাছিলো কাৰণ মানুহ পৰিবেশৰ দাস। পশ্চিম বঙ্গৰ বিশিষ্ট স্থান নিউ কোচবিহাৰ, নিউ জলপাইগুৰি আদিকে অতিক্ৰম কৰি ভাৰতবৰ্ষৰ সৰ্ব্ববৃহৎ জলবিদ্যুৎ পৰিকল্পনাৰ মহা স্থল ফাৰাক্কা বান্ধ (ফাৰাক্কা দলং)ত আহি উপস্থিত হৈছিলো। এই সুপৰিকল্পিত দলংখন গঙ্গা নদীৰ ওপৰত। সচাঁকৈয়ে ভাৰত চৰকাৰৰ যে এইটো এটা ডাঙৰ অৱদান তাৰ প্ৰত্যক্ষদৰ্শী হলো। বেলি উঠাৰ ঠিক অলপ পিছতেই, আহমদপুৰ চহৰখনত অলপ ৰুটি-মাখন খালো আৰু পিছত আজীমগড়, বাসবাড়ীয়া আদি ঠাই সমূহ পাৰ হৈ কলিকতাৰ বৃহৎ জংচন হাওঁড়াত নামিলো। অৱশ্যে এই খিনিতে পশ্চিম বঙ্গৰ খেতিবাতি আৰু প্ৰাকৃতিক দৃশ্যৱলীৰ কথা নকৈ থাকিব নোৱাৰিলো। বিভিন্ন ধৰণৰ শস্যেৰে বঙ্গদেশৰ খেতিপথাৰ সমূহ ভৰপুৰ। আধুনিক কৌশলেৰে বহু একৰ মাটিত ধান, মাকৈ-জোৱা আৰু কুহিয়াৰৰ খেতি কৰা হৈছে। গাওঁ সমূহ পুৰণি সৰুসুৰা কলা কুণ্টিৰে ভৰপুৰ আৰু এটা কথা ইয়াত লিপিবদ্ধ কৰিলো। নিউ কোচ বিহাৰৰ পৰা কেইজনমান বঙালী উদ্ধত স্বভাৱৰ ডেকা আমালোকৰ কোঠাত উঠিছিল। তেওঁলোক স্বভাৱত যিমানেই উগ্ৰ নহওঁক কিয় আমালোকৰ শান্ত ব্যৱহাৰত শেষলৈ আমাক ধন্যবাদ আৰু নিমন্ত্ৰণ যাছি তাৰ পৰা বিদায় লৈছিল। গাড়ীত আৰু এটা কথা আমালোকৰ মনত বৰকৈ পৰিবৰ্ত্তনৰ সৃষ্টি কৰিছিল। সেইটো হ'ল বঙালী ফেৰিৱালা সকলৰ মুখ বেচা স্বভাৱ। মুখত চেনী, মধুৰ ৰস হানি পঁচিশ পইচাৰ বস্তু ২·০০ (দুই টকা) দামত যাছি যাত্ৰী সকলৰ মন আকৰ্ষণ কৰিব পৰা ব্যৱসায়ী নীতিক ধন্য মানিলোঁ।

হাওঁড়াত গাড়ীৰ পৰা নামি যাত্ৰীৰ জিৰণী-কক্ষ আৰু অপেক্ষাগৃহত অলপ সময় কটালো আৰু তাৰে পৰাই চাই ললো যে তেতিয়া দিনৰ ১২ টা ১০ বাজিছে, 'দিনটো আছিল শনিবাৰ ১৯৮৩ চনৰ ২৯ অক্টোবৰ। তাৰ পৰা জীৱনত নুঠা যান, ট্ৰাম গাড়ীত উঠি কলিকতাৰ বিখ্যাত ভৱন আসাম হাউচত আহি উপস্থিত হৈছিলো। আহোতে হাওঁড়াৰ দলংখনত চকু-জুৰ পেলাই ভালদৰে দেখিলো। আসাম হাউচত আহি বজালী, বি, বৰুৱা আৰু ৰঙীয়া কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ণ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীকে আদি কৰি বহুত অসমীয়া বন্ধু-বান্ধবীক লগ পাইছিলোঁ। তেওঁলোকে ভ্ৰমণৰ পৰা ঘুৰি আহিব ধৰিছিল আৰু তেখেত সকলৰ পৰা ভাৰতৰ বিভিন্ন ঠাইৰ বহু ধৰণৰ আচাৰ-ব্যৱহাৰৰ কথা জানিব পাৰিলোঁ। আবেলি আমি কলিকতাৰ বিভিন্ন ঠাই চালো আৰু ৰাতি ৭টা বজাৰ পৰা ৯ টা বজালৈ কাৰিকৰি ধৰণে সঁজা বিড়লা তাৰা মণ্ডলত গ্ৰহ-উপগ্ৰহ চন্দ্ৰগ্ৰহন, সূৰ্য্য গ্ৰহণ আদিৰ ধৰণ সমহ চাই ৰাতি ১০ টা বজাত থকা ঠাইলৈ উভতিছিলোঁ।

পিছদিনা কলিকতাৰ বিখ্যাত মিউজিয়াম, বোটানিকেল গাৰ্ডেন, আৰু মৌলানা আবুল কালাম আজাদ কলেজ দৰ্শন কৰিছিলো। মিচৰৰ পৰা অনা মামী দুটা কলিকতাৰ মিউজিয়ামত দেখি বৰ আচৰিত হৈছিলো আৰু মনত প্ৰৱল আকাঙ্খা জন্মাইছিল মিছৰীয় সকলৰ সভ্যতাৰ বিষয়ে জানিবলৈ কলিকতাত সকলোতকৈ আচৰিত হৈছিলো মহাৰাণী ভিক্টোৰীয়াৰ স্মৃতিত সজা ভিক্টোৰীয়া মেমোৰিয়েল হল চাই। এনে এটা ডাঙৰ স্মৃতি হল দেখি মোৰ মনত আৰু এটা কথাই ভাৱৰ উদ্ভৱ হৈছিল, সেয়া হৈছে ইংৰাজ সকলৰ শাসন সম্পৰ্কে। হলটোৰ চাৰিওঁ ফালৰ বিভিন্ন উদ্দানত মই বহুত ইংৰাজ মানুহ দেখিব পাইছিলো আৰু মোৰ মনত এনে এটা ধাৰণা হৈছিল যে তেওঁলোকে যেন এতিয়াও সেই ঠাইখিনিত ৰাজত্ব কৰি আছে, হলটোৰ উত্তৰ দুৱাৰ মুখত আছে মহাৰাণী ভিক্টোৰিয়াৰ হুবহু মূৰ্ত্তি, পুৱ দুৱাৰ মুখত ছাৰ এনড্ৰু হেণ্ডাৰচনৰ মূৰ্ত্তি। এইজন ব্যক্তি, ১৯০২ চনৰ পৰা ১৯০৮ চনলৈ বঙ্গদেশৰ লেফ্টেনান্ট গৱৰ্ণৰ আছিল। দক্ষিণ পিনৰ দুৱাৰ খন হৈছে মুখ্য গেট আৰু তাতেই আছে ১৯০৩ চনৰ পৰা ১৯০৮ চনলৈ ৰাজ প্ৰতিনিধিত্ব কৰা ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জনৰ জীৱন্ত মূৰ্ত্তি। তেখেত যে শাসন কাৰ্য্যত দৃঢ় মনা আছিল সেইটো তাৰ মূৰ্ত্তি দেখিয়েই অনুমান হৈছিল।

আবেলি ৩ বজাত ষ্টেচন অভিমুখে যাত্ৰা কৰিলো। হাওঁড়াৰ খলপীয়া খলপীয়া চমকপ্ৰদ ষ্টেচনটো আকৌ এবাৰ ভালকৈ দেখিলো। তাৰ পিছত আবেলি ৩-৩০ বজাত ইলেকট্ৰিক ট্ৰেইনত উঠি মাদ্ৰাজ অভিমুখে যাত্ৰা কৰিলোঁ। সন্ধিয়া সময়ত আমি গোৰক্ষপুৰ ষ্টেচনত উপস্থিত হৈছিলোঁ এইখন ষ্টেচন দক্ষিণ পূৱ আৰু উত্তৰ পূৱ ৰেলওৱেৰ আটাইতকৈ দীঘল প্লেটফৰ্ম। কলিকতা এৰি আহিবৰ পিছত বঙ্গদেশৰ দক্ষিণ পশ্চিম পিনৰ যি ঠাই সমূহ দেখিলো প্ৰায়বোৰ অঞ্চল যথেষ্ট সাৰুৱা, শস্য প্ৰচুৰ পৰিমাণে হয়। ৰাতি ২ টা বজাত উৰিষ্যা প্ৰদেশৰ সীমাত উপস্থিত হলোঁ আৰু এন্ধাৰৰ মাজতে বিভিন্ন ঠাইত ৰেলৰখা ঠাইবোৰ যথেষ্ট উন্নত ধৰণৰ দেখিলোঁ। কিন্তু ৰাতিপুৱা তাৰ যথেষ্ট ব্যতিক্ৰম দেখিলোঁ। প্ৰদেশখনৰ প্ৰায়বোৰ অধিবাসী আদিম যুগৰ ৰীতি-নীতি মানি চলে। প্ৰায়বোৰ পুৰুষ মানুহে লেংটি পিন্ধি পথাৰত কাম কৰে। ৩১।১০।৮৩ ইং তাৰিখ

সোমবাৰ দিনা বেলি ১১ বজাত উৰিষ্যাৰ বিখ্যাত ঠাই ৰাজমণ্ড্ৰীত উপস্থিত হলোঁ। তামাকৰ কাৰণে ঠাইডোখৰ ভাৰত বিখ্যাত। ধান আৰু তাল প্ৰচুৰ পৰিমাণে হয়। চিৰালা, শুৰাবেডিড়-পালেম, আদি ঠাই সমূহ দৰ্শন কৰাৰ পিছত লাহে লাহে আমি তামিলনাডুৰ পিনে অগ্ৰসৰ হব ধৰিলো।

দিনটোৰ আবেলি পৰত তামিলনাডুত আহি উপস্থিত হলো প্ৰদেশ খনৰ মাজেৰে মাদ্ৰাজ আহিবলৈ প্ৰথমে পোৱা চহৰখন হল বেচিনব্ৰিজ জংচন। সন্ধিয়া আঠ বজাত মাদ্ৰাজ আহি পালো। চেন্ট্ৰল ৰেলওৱে ষ্টেচনৰ পৰা খোজকাঢ়ি কিছুঅংশ চাই ৰাতিৰ কাৰণে প্ৰকাশ হোটেলত ঠাই ললোঁ। ১।১১।৮৩ ইং তাৰিখত জাতীয় ভ্ৰমণ যানত বহি মাদ্ৰাজৰ বিখ্যাত ঠাই সমূহ দেখিলোঁ। মাদ্ৰাজৰ পৰা ৪৫ কিঃ মিঃ দূৰত পল্লৱৰাজ নৰেশ্বৰ বৰ্মন আৰু নৰশিস্ত বৰ্মনে মহাবলিম পুৰত সজা মূৰ্ত্তি আৰু ভাৰত বিখ্যাত শিল্প কলা, তথা ভাস্কৰ্য্য সমূহ চালোঁ। সৰ্চাকৈয়ে দুই হাজাৰ বছৰ পূৰ্ব্বে ভাৰত বৰ্ষ যে সভ্যতাৰ উচ্চ শিখৰত উঠিছিল তাৰ প্ৰমাণ তাত পালোঁ। নানা ধৰণৰ জীৱ, দেৱ-দেৱী, হাতী, ঘোৰা, গনেশৰ মূৰ্ত্তি আৰু নটৰাজৰ মূৰ্ত্তিবোৰ বহুত মন্দিৰৰ ভিতৰ আৰু বাহিৰ অংশত খোদিত কৰা আছে। তাৰ পৰা কিছুদুৰ অগ্ৰসৰ হৈ পঞ্চ পাণ্ডৱ মন্দিৰ আৰু সাগৰ দেখি তাত নামিলোঁ। সাগৰৰ বিভিন্ন দৃশ্য উপভোগ কৰি গাড়ীত উঠি কিছু আগুৱাই আহি মাদ্ৰাজ ঘৰিয়াল নাৰ্চাৰীত বহুত সৰু ডাঙৰ ঘৰিয়াল দেখিলো।

দিনটোৰ ১২ বজাত হিন্দু সকলৰ পৱিত্ৰ ঠাই পক্ষীতীথ দৰ্শন কৰিলো ঠাই ডোখৰ মাদ্ৰাজৰ পৰা ৬৫ কিঃ মিঃ নিলগত! আমাৰ গাড়ীখন তাৰ পৰা উত্তৰ পশ্চিম পিনে যাত্ৰা কৰিলে আৰু তিনি বজাত বিষ্ণুপুৰম মন্দিৰ, কাঞ্জিপৰম মন্দিৰ আদি পৱিত্ৰ ঠাই সমূহ দেখিলোঁ। পৱিত্ৰ হিন্দু ধৰ্মৰ সকলোঁ ধৰণৰ গোড়ামি এই ঠাই সমূহত এতিয়াও বিদ্যমান। কাঞ্জিপুৰ বিষ্ণু মন্দিৰত তিনিটা ডাঙৰ সোণৰ মূৰ্ত্তি দেখিলো আৰু তাৰ পৰাই আকৌ মাদ্ৰাজ মহানগৰী অভিমুখে যাত্ৰা কৰিলো। ৰাতি ন বজাত আহি হোটেল পালেঁা আৰু তাৰ পিছত অলপ আহাৰ উদৰস্থ কৰি নিদ্ৰাদেৱীক আৰাধনা কৰিলেঁ।

২।১১।৮৩ ইং তাৰিখত জাতীয় ভ্ৰমণ যানত আন্তঃ মাদ্ৰাজ মহানগৰী চাবলৈ আৰম্ভ কৰিলেঁা। ৰাতিপূৱা দহ বজাত মাদ্ৰাজ মিউজিয়ামত প্ৰবেশ কৰিলো। মিউজিয়ামৰ অট্টালিকাত প্ৰবেশ কৰিয়েই প্ৰথমে তিমি মাছৰ হাড়েৰে সজা এখন গেট দেখিবলৈ পালো। মিউজিয়ামৰ বহুত আচৰিত বস্তু দেখাৰ পিছত তাৰ পৰা বিখ্যাত তামিল লিখক থিৰুভাল্লু ভাৰৰ স্মৃতিত সজা নাট্য মঞ্চখন দৰ্শন কৰিলেঁা। মঞ্চটো এছিয়াৰ ভিতৰত সৰ্ব্ব বৃহৎ আৰু ইয়াৰ ভিতৰত আঠ হাজাৰ বহিব পৰা আসন আছে। অলপ দুৰ আগুৱাই আহি কামৰাজ মেমোৰিয়াল হল, আন্না বিশ্ববিদ্যালয় আৰু গান্ধী মণ্ডপখন দৰ্শন কৰিলেঁা। এই গান্ধী মণ্ডপখন ৰাজ্যপাল ছাদিক আলীৰ উদ্দোগত ১৯৭৩ চনত স্থাপন কৰা হয়। ইয়াৰ দেৱালয়ত ৭ টা আৰবী আয়েত লিখা আছে। আবেলি মাদ্ৰাজ স্নেক পাৰ্ক আৰু আৰ্ট গেলাৰি দেখাৰ পিছত হোটেল অভিমুখে যাত্ৰা কৰিলেঁা। ৰাতি ৯-৫০ বজাত মাদ্ৰাজৰ পৰা বাঙ্গালোৰ লৈ যোৱা ৰেলখনত আসন ললো আৰু পাঁচ মিনিটৰ ভিতৰত আমাৰ গাড়ীখন বাঙ্গালোৰ অভিমুখে আগুৱাব ধৰিলে। মাদ্ৰাজ এৰি প্ৰায় ৪৫ কিঃ মিঃ উত্তৰ পশ্চিম দিশৰ এটা ষ্টেচনৰ পৰা আমাৰ কোঠালীত এজন ব্যক্তিত্ব সম্পন্ন তামিল ভদ্ৰলোক উঠিছিল আৰু তেখেতৰে সৈতে আলোচনা বিলোচনা কৰি ৰজনী দেৱীক বিদায় দিছিলো লগতে দাক্ষিনাত্যৰ বিশাল মাল ভূমি অঞ্চল মাইলৰ পিছত মাইল আগুৱাই যাব



ধৰিলেঁা।

৩।১১।৮৩ ইং তাৰিখ ৰাতিপুৱা ৫-৩০ বজাত চুৱাৰাট আহি পালেঁা আৰু তাৰে পৰা এক ঘন্টাৰ বাট আগুৱাই আহি বাঙ্গালোৰ মহানগৰীত উপস্থিত হলেঁা। বাঙ্গালোৰ জাতীয় যানত উঠিপোনতে টিপুচুলতানৰ মাতৃ ফাতেমা বেগমৰ স্মৃতি ভৱন দেখিলেঁা। তাৰ পিছত জাতীয় বীৰ টিপুচুলতানৰ দৰবাৰ দেখিছিলোঁ। ১০-৫০ বজাত ভাৰতবৰ্ষৰ বিখ্যাত উদ্যান বাঙ্গালোৰৰ স্বৰ্গ পুৰী লালবাগ দৰ্শনৰ বাবে প্ৰৱেশ কৰিলোঁ। লাল বাগৰ উদ্যানত পৃথিৱীৰ প্ৰায় সকলো ধৰণৰ ফুলৰ গছ আৰু প্ৰাকৃতিত থকা প্ৰায় সকলো কোমল আৰু কোমল কাষ্টল গছ তাত দেখিবলৈ পালেঁা। লালবাগৰ ফুলনিত টিপু চুলতানৰ স্মৃতি মূৰ্ত্তি আৰু তাৰে কাষতে এটা ডাঙৰ প্ৰাকৃতিক ঘড়ী দেখিলো। লালবাগৰ চতুৰ্থ প্ৰৱেশ দুৱাৰেদি কিছুদুৰ আহিলে এটা ডাঙৰ সমতলাকৃতিৰ শিলাখণ্ড দেখিবলৈ পোৱা যায় আৰু তাৰ সোঁমাজত এটা সৰু বিৰামালয় আছে।

লালবাগ এৰি আহি বাঙ্গালোৰ কৰ্মাচিয়াল ষ্টিটত অলপ সময় কটালো আৰু এখন প্ৰসাদীয় হোটেলৰ পৰা অলপ আহাৰ কৰি বাঙ্গালোৰ টেকনোলোজীকেল মিউজিয়ামত প্ৰৱেশ কৰি বিভিন্ন বিজ্ঞান সন্মত যন্ত্ৰৰ কাৰ্য্যকৰী ক্ষমতাৰ পৰিমাণ নিজ হাতে লাৰি চাৰি আনন্দ উপভোগ কৰিলেঁা। আবেলি বাঙ্গালোৰ নৌবাহিনীক শিক্ষা প্ৰদান কৰা কৃত্ৰিম হ্ৰদত স্পীড বোটত উঠি হ্ৰদৰ অন্তঃ আৰু বহিঃ দৃশ্য সমুহ উপভোগ কৰিলেঁা। সন্ধিয়া খোজকাঢ়ি মহানগৰীৰ কিছু অংশ চাই ৰাতি ন বজাত হোটেল আহি পালো।

পিছদিনা আছিল শুক্ৰবাৰ (৪।১১।৮৩)। গোটেই দিনটো মহানাগৰীৰ বিশেষ অংশ চালো। আবেলি বিখ্যাত পীৰ হজৰত তাতাক্কাল মুস্তান ছাহ ছৰোৱাৰদিৰ দৰগাহ খন ভক্তিভৰা মনেৰে দৰ্শন কৰিলোঁ। এইখন দৰগাহত ভাৰতবৰ্ষৰ হিন্দু মুছলমানৰ ভ্ৰাতৃত্বৰ পূৰ্ণ নিদৰ্শন পালোঁ। এই পুণ্য ভুমিত যে হিন্দু মুছলমানে, হৃদয়ে হৃদয়ে অংগে অংগে মিলিব পাৰিছে তাত তিলমানো সন্দেহ নাই। যিকেই নহওঁক মানৱ জাতিৰ সুখৰ দিন বেছি সময়লৈ নাযায়। কাৰণ চাৰি নবেম্বৰৰ ৰাতি মোৰ অতিপ্ৰিয় ভাগিনদ্বয়, মহঃ শ্বহিদুল ইছলাম আৰু আমজাদ হুছাইন খানে অকস্মাত বেয়াকৈ জ্বৰত ভুগিব লগীয়া হয়। কিন্তু আমাৰ অতি শ্ৰদ্ধাৰ পাত্ৰ মামনীয়, শ্ৰীযুত লম্বিত কোঁৱৰ আৰু এছ, বৰাল শিক্ষা গুৰুদ্বয়ৰ অশেষ যত্নত সিহতে ভালৰ পিনে ঢাল খাইছিল। বাঙ্গালোৰ এৰি দক্ষিণাত্যৰ বিশাল মালভুমিত আমাৰ একমাত্ৰ আশাৰ প্ৰদ্বীপ আছিল শিক্ষাগুৰু শ্ৰীলম্বিত কোঁৱৰ ডাঙৰীয়াই, কাৰণ বাঙ্গালোৰৰ পৰা বোম্বাইলৈ অহা বাটত আমাৰ ৰুগী দুজনে ছাৰৰ পৰা নিজ পিতৃতকৈ বেছি যত্ন পাইছিল।

সাত নবেম্বৰৰ ৰাতি ন বজাত বোম্বাই আহি পালোঁ। ৰাতিটো ষ্টেচনৰ অপেক্ষা গৃহত কটাই পিছদিনাৰ পৰা শিক্ষাগুৰুদ্বয়ৰ সৈতে, বোম্বাইৰ বিখ্যাত গেট ওৱে অৱ ইণ্ডিয়া সিংহ দুৱাৰখন দেখিলেঁা। বোম্বাই মিউজিয়াম, আৰ্ট গেলাৰী বিমান বন্দৰ, জাহাজ বন্দৰ আৰু আৰব সাগৰৰ অফুৰন্ত দৃশ্য উপভোগ কৰি আবেলি ওলোমা বাগিছাত অন্তৰ জুৰ পেলালো। সন্ধিয়াত মেৰিন ড্ৰাইফ নামেৰে সাগৰৰ পাৰত সৃষ্টি হোৱা মহানগৰীৰ দৃশ্যদেখি আমি বেহেস্তত আছোঁ বুলি অনুমান কৰিছিলোঁ। পিছদিনা দাদৰ, জহুবিচ (সাগৰৰ পাৰ) ষ্টেডিয়াম আদি দৰ্শন কৰি হোটেলত আশ্ৰায় লৈছিলোঁ। নেদেখা বস্তু দেখি বৰ স্পৃহাৰে চাৰিটা দিন বোম্বাই কটাই দশ তাৰিখৰ ৰাতি এঘাৰ বজাত এলাহাবাদলৈ যাত্ৰা কৰিলো বাটত সৰু সুৰা বহুত নগৰ দৰ্শন কৰাৰ ওপৰিও দুই এটা দুৰ্ঘটনাৰ মাজত বাৰ নবেম্বৰৰ ৰাতি দশ

বজাত নাইনীতাল আহি পালো আৰু ঠিক কেই মিনিটমান পিছত এলাহাবাদত উপস্থিত হলোঁ। ৰাতিটো প্লেটফৰ্মত কটাই পিছদিনা মহানগৰীৰ বিশেষ অংশ আৰু আচৰিত বস্তু সমূহ দেখিবলৈ আৰম্ভ কৰিলোঁ। দুপৰীয়া ঘোঁৰাৰ বগ্গীত উঠি গঙ্গা যমুনাৰ মহামিলনৰ স্থান প্ৰয়াগত আহি উপস্থিত হলোঁ। আমি গঙ্গাতেই গা-পা ধুই লৈছিলো। তেৰ তাৰিখত ৰাতি সাত বজাত আমি এলাহাবাদৰ পৰা বিহাৰৰ ছাপ্‌ৰা লৈ যাত্ৰা কৰিলোঁ। উত্তৰ প্ৰদেশ আৰু বিহাৰ প্ৰদেশ খনৰ বহুত খেতি পথাৰৰ কৃষি কাৰ্য্যৰ ব্যৱস্থা সমূহ নিৰিক্ষণ কৰিলোঁ। চৈধ্য তাৰিখত আমি আহি ছাপ্‌ৰাৰ ষ্টেচন পালোঁ। আকৌ তাৰে পৰা কিছুদুৰ আগুৱাই আহি ভাৰতৰ আটাইতকৈ দীঘল প্লেটফৰ্ম থকা ছোনপুৰ ষ্টেচন আহি পালোঁ আৰু তাতেই অলপ দুপৰীয়াৰ আহাৰ কৰি চহৰখন কিছু সময়ৰ বাবে দৰ্শন কৰিলোঁ। আবেলি জি, এল ৰেলগাড়ীত আসন লৈ ঘৰ অভিমুখে যাত্ৰা কৰিলোঁ। বাটত কিন্তু এটা ডাঙৰ কথা নিৰিক্ষণ কৰিলোঁ। সেৱা হ'ল শিক্ষাগুৰুদ্বয়ৰ সহানুভূতিৰ চানেকি। বাটত শিলিগুৰি আৰু দাৰ্জিলিঙৰ প্ৰাকৃতিক দৃশ্যবোৰ দেখি আত্মবিভোৰ হৈ পৰিছিলোঁ। মনটোত সদায় এটা কথাই খুন্দা মাৰিছিল আমি কেতিয়া আহি অসম পাম। চাওঁতে চাওঁতে ৰাতি ৮ বজাত চিৰ চেনেহী মোৰ মাতৃ জননী অসমৰ বুকুত পদাৰ্পণ কৰিলোঁ। ৰাতি ১০ বজাত সৰভোগত স্থান লৈ পিছদিনা ঘৰমুৱা হলোঁ।

## —হাঁহিৰ কৌতুক—

০ ভগৱানৰ লগত হাঁহি তামচা—

এদিনাখন মন্টু নামৰ এজন ল'ৰাই এজোপা ডাঙৰ গছত উঠিছে। কিন্তু নামিবলৈ সাহস কৰা নাই। অৱশেষত মন্টুই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি কলে যে 'হে ভগৱান তুমি যদি মোক এই গছৰ পৰা ভালে ভালে নামিব দিয়া তেন্তে তোমাৰ নামত এটা ছাগলী পূজা দিম'। কৈ লাহে লাহে নামিব ধৰিলে। যেতিয়া মন্টুই গছৰ আধা খিনি নামিছে তেতিয়া কলে 'আধা খিনি প্ৰায় আহিছোঁ তোমাৰ নামত ছাগলীৰ সলনি কুকুৰা চৰাই এটা পূজা দিম। অলপ পিছত যেতিয়া সি প্ৰায় নামিছে তেতিয়া কলে 'ভগৱান এতিয়া প্ৰায় নামিছো পূজা নিদিলেও হব' কৈ জাপ মাৰি মাটিত পৰিলে আৰু লগে লগে ভৰিত দুখঃ পালে তেতিয়া মন্টুই কলে—'হে ভগৱান সচাকৈ তুমি মোক দুখঃ দিলা মই পূজা দিলোহেতেন, মাত্ৰ অলপ হাঁহি তামচাহে কৰিছিলোঁ।

০ চিনেমাত হাফ টিকট—

এজন মানুহৰ এটা চকু কণা আছিল। এদিনাখন সেই মানুহ জনে চিনেমা চাবলৈ গ'ল আৰু টিকট মাষ্টাৰক কলে 'মোক এখন হাফ টিকট দিয়ক' টিকট মাষ্টাৰে উত্তৰ দিলে চিনেমাৰ টিকট আধা মূল্যত বিক্ৰি নহয়। মানুহজনে কলে 'মোৰ এটা চকু কণা, মই এটা চকুৰেহে চিনেমা চাব পাৰিম। গতিকে মোক হাফ টিকট দিয়ক'।

মোঃ সহিদুল ইসলাম
বি, এ, ১ম বাৰ্ষিক



# গল্প

## —কোনে দিব উত্তৰ—

এম, ছাদিকুৰ ৰহমান
বি, এ, প্ৰথম বাৰ্ষিক।

ৰাস্তাৰ দুয়ো কাষে কিছুমান ন-পুৰণি দোকান ঘৰ। দুই চাৰিজন শান্ত ভাৱাবাহী কুলি, তাৰোপৰি বিজুলী লাইটৰ পোহৰে গোটেই ঠাইখন জিলিকি উঠিছে বুলি কলেওঁ বঢ়াই কোৱা নহব। এই বিভিন্ন পৰিবেশৰ সংমিশ্ৰনত গঢ়ি উঠিছে এই কলগাছিয়া বজাৰখন। কলগাছিয়া বজাৰখনৰ উল্লেখ যোগ্য বৈশিষ্ট্য সৰু, ডাঙৰ সকলোৰে চকুত ভাহি উঠিছে সেয়া হ'ল এই বজাৰৰ সেই "উমা পাগলী" জনী।

মানুহে তাইক উমা পাগলী বুলি মৰমেৰে সম্বোধন কৰে। তাৰ কাৰণে তাই কেতিয়াও কাৰোবাক দোষাৰোপ কৰা নাই। তাই নিবিচাৰে প্ৰকৃতিৰ বিলাসিতা ভৰা জীৱন বাসনা। এই জনী উমা পাগলী কেতিয়াবা কাৰোবাৰ দৃষ্টি গোচৰহীন হলে গোটেই বজাৰখনত এটি হুলস্থূল ঢৌ বৈ যায় উমা.......... উমা..........। নাই তাই যেন কৰবালৈ গুচি গ'ল।

পাগলী জনী সচাই পাগলী নহলে জানো এই দৰে সকলোৰে প্ৰিয় পাত্ৰ হব পাৰে নে?

সিপিনে বৰপেটাৰোডৰ পৰা বালাগাৱলৈ দুই চাৰিমি নিটৰ অন্তৰে ছয় চকাৰ ওপৰত ভৰ দি হু হু গতিত মটৰ গাড়ী অহা যোৱা কৰে, তাৰে বিভিন্ন বাছ যাত্ৰীৰ লগত এই জনী উমা পাগলীৰ ভাল দৰে পৰিচিত। বাছখন কলগাছিয়া মটৰ চেণ্টাৰত ৰৈ যোৱাৰ লগে লগে উমা পাগলী যতেই নাথাকক কিয় ব্যস্ততাৰে দৌৰি আহে বাছৰ কাষলৈ তাৰ মানে তাইক লাগে মাত্ৰ এটি 'পাঁচ পইচা'। এই পাঁচ পইচাৰ বিনিময়ত তাই সকলো কৰিবলৈ দিধা বোধ নকৰে। কেতিয়াবা হেণ্ডিমেন, চেকাৰ আদি তাইক এই উমা পাগলী তই দেখোন ভাল গান গাব জানা, গাচোন এটি ধুনীয়া গান তোক পাঁচ পইচা দিম।

এইবাৰ কথা শুনাৰ লগে লগে মিচিকি ওঠেৰে হাঁহি হাঁহি গান আৰম্ভ কৰে। সেয়া 'তেৰে মেৰে জীৱন' ইত্যাদি কব নোৱাৰি কৈয়ে অতীতৰ সকলো কথাবোৰ তাইৰ মানস মন্দিৰত ভাহি উঠে। বহুতেই হাত চাপৰি হাঁহি হাঁহি গুচি যায়। বাঃ কি সুন্দৰ এই জনী উমা পাগলীৰ ভাষাহীন বেদনাৰ গান।

এইজনী উমা পাগলী কেতিয়াবা কেতিয়াবা মানুহৰ দুৱাৰে দুৱাৰে ভিক্ষা কৰি যি দুই এমুঠি পায় তাৰে তাই নিজৰ জীৱনটোক কোনোমতে

জীয়াই ৰাখে। কেতিয়াবা দুই চাৰি জনে ধমকি দি দুনাই ভিক্ষা মাগিবলৈ মানা কৰে। কিন্তু উপায় নাই..........। নিজৰ জীৱনৰ মায়াৰ তুলনাত আনৰ গালি শপনি নিকৃষ্ঠ। কাৰণ তাই বাচি থাকিব লাগিব।

গোটেই কৰ্মব্যস্ত দিনটোৰ কামৰ সামৰণি মাৰি উমা পাগলী লাহে লাহে খোজ ললে সন্দিয়াৰ সৌ কলগাছিয়া বজাৰৰ আহত জুপিৰ তলৈলৈ.......। পুহ মাহিয়া ওঠ কঁপি উঠা ঠেৰেকা জাৰ। কি ভীষণ সমস্যা। তাইৰ লগত মাত্ৰ এখন ফটা ছিঙা মেখেলা। গোটেই ৰাতিটো সৌ আহত জোপিৰ তলতে দাত ওঠ কামৰি কোনোমতে ৰাতিৰ এন্ধাৰ অতিবাহিত কৰি দিয়ে। ইপিনে পূব আকাশত উদিয়মান সূৰ্য্যৰ ৰঙা কিৰণ পৰি গোটেই পৃথিবীৰ বুকুত এটি নতুনত্ব পৰিবেশৰ সৃষ্টি কৰে। আন ফালে উমা পাগলীয়ে ভাবে তাইৰ জীৱনৰ কথা, তাইৰ অতীতৰ সেই সমষ্ট কথা..........। লাহে লাহে উমাৰ চকুয়ে দি বৈ আহে দুধাৰী চকুলো....... আকৌ তাই হাঁহি উঠে..........।

কিন্তু কিয় সেইজনী উমা পাগলীওতো মানুহ। তাইৰতো এটি জীৱন্ত আত্মা আছে। তাইতো সমাজত মানুহ হিচাবে জীয়াই থাকিবলৈ ইচ্ছা কৰিছিল। আমাৰ দৰে খাবলৈ বিচাৰিছিল। আজি তাইৰ আপোন বুলিবলৈ কোনো নাই। তাইৰ কাৰণে কোনেও এষাৰ সহানুভূতিৰ মাত নেমাতে। তাই আজি সমাজৰ লাঞ্চিত, বঞ্চিত, অপমানিত, অৱহেলিত তাৰ বাবে কোনে দিব উত্তৰ..........।



কিছু মানুহক কিছুদিনৰ কাৰণে ভুলাই ৰখাটো সম্ভৱ হব পাৰে নাইবা কিছুমান মানুহক গোটেই জীৱনটো ভুলাই ৰখাটোওঁ সম্ভৱ হব পাৰে। কিন্তু সমস্ত মানুহক গোটেই জীৱনৰ কাৰণে কেতিয়াওঁ ভুলাই ৰখাটো সম্ভৱ হব নোৱাৰে।

—লেলিন—

[গল্প]

## —এক মিনিটৰ সাধু—

# শত্ৰুতা

মোঃ ইদ্ৰিছ আলী
পি, ইউ, প্ৰথম বাৰ্ষিক (ক'লা)

এসময়ত এটা কুকুৰ আৰু এটা মেকুৰী নলে গলে লগা বন্ধু আছিল। সিহঁতৰ ওচৰতে এটা নিগনি বাস কৰিছিল। নিগনিয়ে সিহঁতৰ বন্ধুত্ব দেখি সহ্য কৰিব পৰা নাছিল। কাৰণ নিগনিৰ কোনো বন্ধু নাছিল। নিগনিটোৱে ভাবিলে যে সিহঁতৰ বন্ধুত্ব কেনেকৈ ভাঙিব পৰা যায়।

এনেতে কুকুৰটোৱে এহাল মুচিৰ ঘৰৰ পৰা এটুকুৰা মাংস মুখত লৈ দৌৰ মাৰিলে। পিচে পিচে মুচি জনেও এডাল মাৰি লৈ দৌৰিলে। অপল দূৰ গৈয়েই মেকুৰীক দেখা পালে আৰু মাংস টুকুৰা লৈ মেকুৰীক পলাবলৈ কৈ আকৌ কুকুৰটোৱে দৌৰ মাৰিলে। মুচি দেখিলে যে কুকুৰটোৰ মুখত মাংস নাই। পিছত মুচি ঘৰলৈ উভতিল।

মেকুৰীয়ে তৎক্ষণাত এডাল গছৰ গুৰিত অলপ মাটি খান্দি মাংস টুকুৰা ঢাকি থলে। ইফালে নিগনিয়ে মাংস টুকুৰা দেখি মনে মনে ভাবিলে 'এই মাংস টুকুৰা যদি লব পাৰোঁ তেনেহলে মোৰো কাম হব আৰু লগতে সিহঁতৰ বন্ধুত্বও ভাঙিব।

পিছত নিগনিয়ে গৈ নিজৰ চোকা দাঁতৰ সহায়েৰে গাত খান্দি মাংস টুকুৰা গাতৰ ভিতৰলৈ লৈ গল আৰু পেট ভৰাই খালে।

কুকুৰটোৱে দৌৰি ভুকাতুৰ হৈ মেকুৰীৰ ওচৰলৈ আহি মাংস টুকুৰা খুজিলে। মেকুৰীটোৱে যত গাত খান্দি মাংস টুকুৰা ৰাখিছিল তালৈ গৈ মেকুৰীয়ে দেখে যে মাংস টুকুৰা তাত নাই। মেকুৰীৰ আৰু বুজিবলৈ বাকী নেথাকিল। তেতিয়া ভুকাতুৰ কুকুৰৰ বৰ খং উঠিল আৰু মেকুৰীক মাৰিবলৈ সিদ্ধান্ত ললে। মেকুৰীয়ে বন্ধুৰ ভাৱ দেখি একে জাপত গছত উঠিল সিহঁতৰ বন্ধুত্ব নাইকীয়া হ'ল। মেকুৰীয়ে গছত উঠি ভাবিবলৈ ধৰিলে আৰু নিগনিৰ ওপৰত বৰ খং উঠিল। নিগনিয়ে কিন্তু মেকুৰীক দেখিলেই পলায়। নিগনিক পালে যে মেকুৰীয়ে মাৰিব এইটো তাৰ জনাই আছে।

ঠিক সেই সময়ৰ পৰাই এতিয়ালৈকে মেকুৰীয়ে কুকুৰক দেখিলেই পলায় আৰু কুকুৰেও মেকুৰীক দেখিলেই ধৰিবলৈ চেষ্টা কৰে। ইফালে নিগনিয়েও মেকুৰীক দেখিলেই পলায় আৰু মেকুৰীয়ে নিগনিক দেখিলেই ধৰি মাৰি খাবলৈ চেষ্টা কৰে। সেয়েহে কুকুৰক মেকুৰীয়ে আৰু মেকুৰীক নিগনিয়ে ভয় পায়।

দেখিব নোৱাৰে কোনেও
চুৰ ডকাইতক
ভয় কৰে সকলোয়ে যাক
হিংসা কৰীয়া মানুহে
দেখিব নোৱাৰে মিত্ৰতা
অলপতে ভাঙি দিয়ে তাক।

# কবিতা

## —সমৰ্পণ—

মিচ্‌ মালেকা আহম্মেদা
পি, ইউ প্ৰথম বাৰ্ষিক

পঞ্চ বাসনা ত্যাগি সপিছো তোমাক
ক্ষন্তেকীয়া জীৱন ভাৱ,
জানো সকলো বিশ্বাসে বাধিলে মন
তুমিয়ে জীৱনৰ সাৰ ।
সকলোতে তোমাৰ সৌন্দৰ্য্য গৰিমা
মন (হৃদয়) জুৰ হয় দৰ্শালে,
ধৰণীৰ সবে গুনিব বিচাৰে
অতিকে আপোন তুমিয়ে ।
প্ৰতিটি খনতে আপোনাৰ জন
তুমিয়ে জীৱন মৰণ,
নয় হোক ধৰণী সাধনাৰ ধন
পূৰ্ণ বিজয় টিকা তুমি ।
তুমি বিনে ত্ৰিজগত উদাসী মন
ভ্ৰান্ত মৰিচিকা হৈ ৰয়,
নোৱাৰো ছিণ্ডিব এই বিশ্ব বন্ধন
হৃদয়ে তপ্ত বায়ু বয়
মৃত্যুৰ যোগে যেন পাওঁ মিলিব
লোৱা যেন আদৰি কোলাত ।

## —জাগৰণ—

মহঃ জেহেৰুল হক
বি, এ, ১ম বাৰ্ষিক

পৱিত্ৰ আকাশ আৱৰি ৰাখিছে
এছাটি এন্ধাৰ মেঘে,
অসমী আইৰ চকুলোৰ কাৰণ
অবুজ সন্তানৰ ত্যাগে ।
শোষণৰ আজি পৰিণয় ঘটিব
হৃদয় কৰিলোৱা স্থিৰ,
আপোন মাতৃৰ চৰণ ধুৱাবলৈ
সাজু হোৱা স্বদেশী বীৰ ।
নন্‌ছিতা ধৰণী মুক্তি আমি কৰিমেই
মনলৈ আনা এই পণ,
দেশৰ সেৱাত প্ৰাণ আহুতি দিয়া
এৰি থৈ পাথিব ধন ।
অসহায় দিশে বাট হেৰুৱালে
তুমি জোনাক হোৱা,
শতেক বেদনা পাহৰাই ৰাখি
তুমি প্ৰেৰণা দিয়া ।
সৌৱা শুনাগণ বিপদৰ বাৰ্তা
অস্থিৰ মানৱ মন
নিজদেশ আজি ৰক্ষা কৰিম
মনলৈ আনা জাগৰণ ।



নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সদস্য—১৯৮২-৮৩ ইং



বাওঁফালৰ পৰা থিয় হৈ থকা ক্ৰমে— ইকবাল ফৰিদ (সঃ আন্ত খেল বিভাগ), জহিৰুল হক (সঃ তৰ্ক বিভাগ), খালেক মোল্লা (সঃ বহিঃ খেল বিভাগ), খোৰশেদ আলম (সঃ সমাজ সেৱা), হালিমা বেগম, এম, ৰহমান (সঃ আলোচনী), নজৰুল ইচলাম (সঃ জিৰণি কোঠা),
বাওঁফালৰ পৰা বহি থকা ক্ৰমে—এম, ৰহমান খাঁন (সাঃ সঃ), খন্দঃ আঃ গফুৰ (তত্বাঃ লৰা জিৰণি কোঠা), ভগীৰথ নাথ (তত্বাঃ সমাজ সেৱা), আঃ ছালাম (তত্বাঃ বহিঃ খেঃ বিঃ), সেখ ওমৰ আলী (তত্বাঃ তৰ্ক বিঃ), এম, মোজাম্মেল হুছেইন (উপ-সভাপতি), আঃ ছাত্তাৰ আহমেদ (সভাপতি), মেহেৰুণ নেছা (তত্বাঃ ছোঃ জিঃ কোঠা), এম, মতিয়াৰ ৰহমান (তত্বাঃ সংগীত), আঃ ছাত্তাৰ (তত্বাঃ আন্তঃ খেঃ বিঃ), শ্ৰীলম্বিত কোৰৰ (তত্বাঃ আলোচনী),
বাওঁফালৰ পৰা সন্মুখত বহি থকা ক্ৰমে— আঃ বাৰেক (পিয়ন), আঃ ৰহমান (পিয়ন), আজাহাৰ আলী (পিয়ন), সহিদুল ইসলাম (অনুপস্থিত সঃ সংগীত), শামচুন নাহাৰ (সম্পাদিকা ছাত্ৰী জিৰণি কোঠা), অনুপস্থিত ।



নৱ-জ্যোতি মহাবিদ্যালয়ৰ ১৯৮২-৮৩ চনৰ জাতীয় সেৱা আঁচনিৰ সদস্য সকলে সজোৱা দলং আৰু কৰ্মী বৃন্দ

# — সাক্ষাৎকাৰ —

আলহাজ বাহাৰ উদ্দিন ( গুনিয়ালগুৰি )ৰ লগত

সম্পাদক—

?—(১) আপোনাৰ মনত পৰা অতীত দিনৰ পৰা সামাজিক পৰিবৰ্তন লক্ষ্য কৰিছে। তাৰ ভিতৰত আপুনি ভৱা মতে পৰিবৰ্তনৰ বিষয়ে আপোনাৰ পৰা জানিব বিচাৰিছো ।

উঃ—(১) জীৱনত প্ৰাকৃতিক; ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্তন বহুখিনি দেখা পাইছো। তাৰে আঞ্চলিক ভিত্তিত কেই আষাৰমান কব বিচাৰিছো।

০ প্ৰাকৃতিক—

(ক) বিল— কলগাছিয়া, লাচাংগা আৰু নম্বৰ পাবা আদি বিল আছিল। তাত প্ৰচুৰ মাছ পোৱা গৈছিল। দিনে ৰাতিয়ে চৰাইৰ কলৰব শুনা গৈছিল।

(খ) নদী—বেঁকী আৰু মানাহ এই দুখন ঘাই নদী আছিল। বেঁকীৰ গৰাখহনীয়াত আমগুৰি, খাৰবান্ধী গাওঁ ধ্বংস হয়। আৰু কলগাছিয়া বিল ভৰ্তি হৈ মানুহৰ বসতিৰ উপযোগী হয়। মানাহনৈৰ গৰাহ খহনীয়াত ধৰ্মপুৰ ভাঙি কোকিলা সুতিয়েদি গুনিয়ালগুৰি আৰু দাৰন্দিয়া গাৱৰ কিছু অংশ খহাই নিয়ে। কিছুদিন পিছত চাকলাৰ উত্তৰ ফালেদি নদী গুলাই নম্বৰপাৰা বিলৰ মাজেৰে বৈ গৈছে আৰু আজিলৈ বৈ আছে। ইফালে কোকিলাৰ নদী বন্ধ হৈ যায়।

(গ) বন আৰু বনৰীয়া জন্তু— এইবোৰ অঞ্চল নলখাগৰিৰে ভৰপুৰ আছিল। ইয়াত হাতী, বাঘ, ভালুক, গাহৰি আদি হিংস্ৰ জন্তুৰ বসবাস আছিল।

(ঘ) মানুহৰ বসতি— কলগাছিয়া, গুনিয়ালগুৰি আৰু কোকিলাত কিছু সংখ্যক অসমীয়া মানুহ বাস কৰিছিল। তেওঁলোক বন্য জন্তুৰ উৎপাতত উৎপীড়িত হৈ পৰিছিল। তেনে সময়তেই ভাটিৰ ফালৰ পৰা আমাৰ কিছু মানুহ আহি পোৱাত অসমীয়া সকল অতিশয় আনন্দ, সাহস পাই ঘৰবাৰী কৰিবলৈ বস্ত্ৰ-বাহানী, খেতি কৰিবলৈ সা-সজুঁলি আদিৰ যোগান ধৰে। বন-জংগল আতৰাই খেতি কৰি প্ৰচুৰ শস্য পাইছিল। লাহে লাহে বন জংগল সকলো আতৰিল, হিংস্ৰ জন্তুও আতৰিল। মানুহ নিৰাপদ হ'ল।

(ঙ) শিক্ষা— চাকলা, গুনিয়ালগুৰি, ভোটগাওঁ এই তিনিখন আছিল শিক্ষা কেন্দ্ৰ। ইয়াৰ পৰাই লাহে লাহে শিক্ষা বিস্তাৰ হয়। ফল স্বৰূপ, এম, ই, এম, ভি; এই, ই মাদ্ৰাছা কলেজ আদিৰ সৃষ্টি হয়। আগতে ছোৱালী দুৰৰ কথা ল'ৰাক স্কুলত পঢ়োৱা টান পাইছিল যদিও কিছু সংখ্যক গুনী, সমাজ সেৱকৰ অপৰিসীম যত্নত বহুল বিস্তাৰ হ'ল।

(চ) ভোট— ৭'৫০ টকা খাজনা দিয়া আৰু এম, ই, পাচ কৰা মানুহে ভোট দিব পাৰিছিল। গোটেই ৰূপসী মৌজাত মাত্ৰ ১৫/২০ জন মানহে ভোট দাতা আছিল, তিতাপানী মৌজা, নাছিল তেতিয়া একেটো সভাত ২/৩ টা পাৰ্টিয়ে মিলা-প্ৰীতিৰে 'কেনভাচ কৰিছিল। প্ৰেম-প্ৰীতিৰেই প্ৰতিযোগিতা চলিছিল।

(ছ) মানুহৰ চৰিত্ৰ—অতীত কালত মানুহৰ আৰ্থিক অৱস্থা স্বচ্ছল আছিল। চুৰি, ডকাইতি, মিথ্যা-প্ৰৱঞ্চনা, ঠগবাজি আদি নেজানিছিল। পৰস্পৰৰ লগত আন্তৰিক মিলা-প্ৰীতি আছিল। বৰ্ত্তমানে আৰ্থিক দুৰ্ব্বলা হেতু বহুমুখী দুষ্কাৰ্য্যত লিপ্ত হোৱা দেখা যায়। ভাতৃত্ব ভাৱ চ্ছেদন হৈ পৰিছে হক।
(জ) শিক্ষকৰ কৰ্ত্তব্য— আগৰ কালত শিক্ষা আৰু শিক্ষকৰ প্ৰতি চৰকাৰে তীক্ষ্ণ দৃষ্টি ৰাখিছিল। শিক্ষক সকলেও আপ্ৰাণ চেষ্টা কৰি শিক্ষাৰ দ্বাৰায় জাতিৰ উন্নতি কৰাটোৱেই কামনা কৰিছিল।

সম্পাদক—
?—(২) আপোনি দীৰ্ঘদিন চাকৰি কৰিছে। এই বিষয়ত আপোনাৰ অভিজ্ঞতাও প্ৰচুৰ। সাধাৰণতে শিক্ষকৰ দায়িত্ব, কৰ্ত্তব্য কি আৰু বৰ্ত্তমান শিক্ষক সকলে সেই দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰিছে নে?

উঃ— আগৰ শিক্ষক সকল কম শিক্ষিত আছিল যদিও পাঠদানত অতিশয় আগ্ৰহশীল আছিল। শিক্ষাৰ্থীয়ে শিক্ষকৰ উপদেশ পালন কৰিবলৈ যত্ন কৰিছিল। যিহেতু অভিভাৱক সকলেও শিক্ষকৰ প্ৰতি গভীৰ শ্ৰদ্ধা ৰাখিছিল। বৰ্ত্তমানে শিক্ষকৰ প্ৰতি তুচ্ছ-তাচ্ছিল্য মনোভাৱ পোষণ কৰা হেতু শিক্ষাৰ্থী সকলেও শিক্ষকৰ প্ৰতি শ্ৰদ্ধা নকৰা হৈছে। ফলত শিক্ষক সকলে শিক্ষা আৰু সমাজ সেৱা কাৰ্য্যত আশাতীত অগ্ৰগামী হবগৈ পৰা নাই।

সম্পাদক—
?—(৩) আপোনি তিৰোতা জাতিৰ সামাজিক পৰিবৰ্ত্তন বিচাৰেনে?

উঃ— তিৰোতা জাতিৰ আগতকৈ বহু পৰিবৰ্ত্তন পৰিলক্ষিত হৈছে। ময়ো সুশৃঙখল পৰিবৰ্ত্তন বিচাৰো। কিন্তু নাৰী আৰু পুৰুষৰ দুয়োৰে শক্তি সামৰ্থ কৰ্ম ক্ষমতা অনুসাৰে বিভিন্ন কৰ্ত্তব্য আছে। বিজ্ঞান সন্মত ধৰ্ম জ্ঞানেৰে দায়িত্ব ও কৰ্ত্তব্য সমাধানলক্ষ্যত সামাজিক পৰিৰ্ত্তৱন বিচাৰো।

সম্পাদক—
?—(৪)গাঁৱৰ বুঢ়া মানুহে কয়, তিৰোতা জাতি বেছি প্ৰভাৱশালী হোৱা, পথ প্ৰদৰ্শক হোৱা, নেত্ৰী হোৱা এইবোৰ আখেৰী বা কলিকালৰ চিন আৰু ই অশুভ লক্ষণ। বৰ্ত্তমান নাৰী জাতিৰ উন্নতি অশুভ লক্ষণ বুলি কব নে?

উঃ—প্ৰত্যেকতে শক্তি-সামৰ্থ মতে কৰ্ত্তব্যত অগ্ৰসৰ হোৱা উচিত। দুৰ্ব্বল-সবল, জ্ঞানী-অজ্ঞানী আদিৰ ব্যৱধান আছে। সামৰ্থৰ ভিত্তিত কৰ্ম সমাধা হয়। নাৰী এজনী প্ৰভাৱশালী হোৱা বা হুকুমৰ মালিক হব পাৰে। সিয়ো লক্ষাধিকৰ ভিতৰত এটা সেই বুলি পুৰুষৰ দৰে বহুমুখী কৰ্ত্তব্যত অপাৰগতা স্বাভাৱিক। কিয়নো নাৰী জাতি বক্ৰ ও চঞ্চল প্ৰকৃতিৰ। কঠিন পৰিশ্ৰমত নাৰী জাতি দুৰ্ব্বল। সকলো কৰ্মতে নেতৃত্ব ভয়ৰ কাৰণ।
(খ) নাৰী জাতিৰ উন্নতি শুভ লক্ষণ যদিহে জাতি হিচাবে নিজস্ব দায়িত্ব মতে কৰ্ত্তব্য কৰে। ইয়াৰ অতিৰিক্তই উচ্ছৃঙখল জীৱন ৱাপায়িত কৰি তোলাৰ সংকেত নিশ্চিত। বৰ্ত্তমানে মোৰ বোধেৰে নাৰী জাতি কৰ্ম ক্ষেত্ৰত কিছু সীমাৰেখা চেৰাই যোৱা যেন অনুমান হয়। সেই হেতু বুঢ়া মানুহে কলি-কালৰ দোষ দি নিজে নিজক বুজনি দিয়ে মাত্ৰ।



চুটি গল্প

# বুধিয়ক ধনীৰাম

এম. আছমত আলী
বি, এ,

কিছুমান দিনৰ আগৰ কথা। আমাৰ গাওঁৰ পশ্চিম ফালে প্ৰায় ডেৰ কিলোমিটাৰ দূৰত, কোনো এখন গাৱত 'ধনীৰাম নামৰ এজন হোজা খেতিয়ক বাস কৰিছিল। তেওঁৰ আৰ্থিক অৱস্থা টনকিয়াল নাছিল। সেইবুলি সিমান দুৰাৱস্থাও নাছিল অৰ্থাৎ স্বাভাৱিক জীৱন জাপন কৰিছিল।

এদিনাখন তেওঁৰ ঘৰত আঞ্জা কৰিবলৈ যোৱা তেল অৰ্থাৎ মিঠাতেল নাছিল। ঘৈণীয়েকে বজাৰৰ পৰা তেল আনিবলৈ কলে। কিন্তু ধনিৰামৰ হাতত পা-পইচা, এটা ফুটা কড়িও নাছিল। তেওঁ জা-জল পান কৰি ঘৈণীয়েৰাক কেইটামান বটল দি-বলৈ কলে। বটল কেইটাৰে সৈতে তেওঁ কোনোমতে বজাৰ পালেগৈ। এতিয়া কথা হ'ল তেওঁনো পইচা কত পাব, চিন্তা কৰি উলিয়ালে আনৰ ওচৰত পইচা খোজাতকৈ নিজ বুদ্ধি পকোৱালে। তেওঁ প্ৰথমে এখন দোকানৰ পৰা ১০০ গ্ৰাম তেল খুজিলে। পিছত ইয়াৰ দাম সোধাত ১·০০ টকা লাগে বুলি কলে। শেষত তেল খিনি ঘুৰাই দিলে আৰু বেলেগ দোকানৰ কথা কৈ গুচি গ'ল। ইফালে তেল ঢালি দিলেও বটলত অলপ ৰৈ যায়। আৰু সেই খেনি তেল লগত নিয়া আন বটলত জমা কৰিলে। এইদৰে দহোটা মান দোকান ঘুৰি-পকি তেওঁ প্ৰায় ২৫ গ্ৰাম তেল সংগ্ৰহ কৰিলে। আৰু এই তেলেৰে মজা কৰি আঞ্জা খালে।

অৱশেষত ৰাতিত ধণীৰামে ঘৈনীয়কক সকলোবোৰ কথা বুজাই কোৱাত, ঘৈণীয়কে কলে তোমাৰ নিচিনা বুধিয়ক মানুহে আজি কালি সংসাৰত দুখ-দুৰ্গতি নোহেৱাকৈ চলিব পাৰিব। 'মোৰ প্ৰিয় বন্ধু সকল আপোনালোকে হিচাব কৰি, ভাৱিচিন্তি খৰচ কৰিলেহে ভৱিষ্যত দিনবোৰ দুঃখ দুৰ্গতিৰ পৰিবৰ্ত্তে সুখেৰে কটাব পাৰিব"।

শান্তিৰ কাৰণে যদি পৃথিৱীৰ সকলো জাতিয়ে হাবাথুৰি খাই আছে, তেনে ক্ষেত্ৰত ৰক্তপাত বা শক্তিশালী জাতিয়ে দুৰ্ব্বল জাতিৰ ওপৰত অস্ত্ৰ ধাৰণ কৰা ৰ্ব্বৰতাৰ চিন।

—উইনষ্টন চাৰ্জিল।

## সাক্ষাৎকাৰ— (আনোৱাৰ হুছেইনৰ লগত)

সম্পাদকঃ—

প্ৰশ্ন— বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকল কিমান দূৰ উপকৃত হৈছে।

উত্তৰ— প্ৰাচীন কালত মা-দেউতাকে তেওঁলোকৰ ল'ৰা-ছোৱালীক গুৰু গৃহলৈ শিক্ষা লাভ কৰিবলৈ পঠাইছিল মূলতঃ জ্ঞান আহৰণৰ উদ্দেশ্যলৈ। কিন্তু বৰ্ত্তমান শিক্ষাৰ উদ্দেশ্য জ্ঞান আহৰণৰ উপৰিও ছাত্ৰ এজনৰ দৈহিক, মানসিক উৎকৰ্ষ সাধনৰ লগতে ভবিষ্যতৰ আৰ্থিক নিৰাপত্তাৰ প্ৰশ্নও প্ৰবল ভাবে জড়িত। যিটো যুগত ব্যক্তি এজনৰ মানুহ হিচাপে বিচাৰ কৰাৰ মাপ-কাঠি হ'ল অৰ্থ আৰু পদমৰ্য্যদা তেনে ক্ষেত্ৰত ভবিষ্যতৰ আৰ্থিক স্বচ্ছলতা দান কৰিব পৰা আৰু উন্নত পদমৰ্য্যদা দিব পৰাটোকে শিক্ষাৰ মুখ্য উদ্দেশ্য বুলি সৰ্ব্ব সাধাৰণৰ ধাৰণা হোৱাটো স্বাভাৱিক। শিক্ষাৰ এনে উদ্দেশ্যৰ মানসিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমান শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলক আশানুৰূপ উপকৃত কৰিছে বুলি কব নোৱাৰি। কলেজ বা বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটো কিবা কৰি নামৰ শেষত আঁৰি লব পাৰিলেই তেওঁলোকক আমি শিক্ষিতৰ শ্ৰেণীত ধৰোঁ, কিন্তু ব্যতিক্ৰম দুই চাৰিজনৰ বাদে সেই শিক্ষিত সকলে নোৱাৰে ঘৰলৈ আৰ্থিক স্বচ্ছলতা আনিবলৈ, নাপায় ডিগ্ৰী অনুযায়ী পদমৰ্য্যদা নহয় প্ৰকৃত জ্ঞান লাভ; ফলত দৈহিক আৰু মানসিক ভাবে পিড়িত হয় ভীষণ ভাৱে।

সম্পাদক—

প্ৰশ্ন— ছাত্ৰ সমাজত দিনে দিনে বাঢ়ি অহা বিশৃঙ্খলাবোৰৰ উৎস কি বুলি ভাবে?

উত্তৰ— বৰ্ত্তমান সমাজ ব্যৱস্থাই ছাত্ৰ সমাজত সৃষ্টি হোৱা বিশৃঙ্খলাবোৰৰ মুল কাৰণ বুলি মই ভাবো। ইয়াৰ উপৰি অৱশ্যে কিছুমান আনুসঙ্গিক কাৰণো জড়িত আছে, তাৰ ভিতৰত শিক্ষা ব্যৱস্থা অন্যতম। ছাত্ৰ এজনৰ ভোটাধিকাৰৰ বয়স হ'লে তেওঁক ছাত্ৰৰ উপৰিও এজন যোগ্য নাগৰিক হিচাপে গন্য কৰা হয়। গতিকে নাগৰিক হিচাপে দেশৰ বা সমাজৰ ভাল বেয়া বিচাৰ বিবেচনা কৰাৰ ক্ষমতা তেওঁৰ জন্মে। এই ক্ষমতা প্ৰয়োগ কৰিবলৈ গৈ নাইবা অভিজ্ঞতাহীন সৰল মস্তিষ্ক প্ৰবীন সকলৰ স্বাৰ্থন্বেষী পৈণত মস্তিষ্কৰ হাতিয়াৰ হৈ কাম কৰিবলৈ গৈ ছাত্ৰ সকল উশৃঙ্খল হৈ পৰে। উদ্দেশ্য, লক্ষ্যবিহীন শিক্ষা গ্ৰহণ কৰি প্ৰয়োগীক দিশত হতাশ হৈ পৰাত সৃষ্টিশীল মগজু এখন জয়াল অৰণ্যত পৰিণত হয়। ফলত ছাত্ৰৰ মগজু হৈ পৰে কিছুমান ভূতৰ অবাধ বিচৰণ ভূমি। তেতিয়া ছাত্ৰই নিজস্ব ব্যক্তিত্ব হেৰুৱাই নানা প্ৰকাৰ সামাজিক বিশৃঙ্খলাৰ মূখ্য নায়ক হৈ পৰে। শিক্ষা ব্যৱস্থৰ ক্ষেত্ৰত অন্যান্য কিছুমান কাৰণৰ লগত বজাৰত প্ৰচলিত নোট বুক, প্ৰশ্ন ভাণ্ডাৰ, উত্তৰ



ভাণ্ডাৰ আদিৰ ফলত ছাত্ৰ এজন শিক্ষকৰ পৰা মানসিক দিশত আঁতৰি থাকে। শিক্ষকক দেখি সমীহ কৰা বা শ্ৰদ্ধা-ভক্তি কৰাৰ প্ৰয়োজন বোধ নকৰে। ছাত্ৰ শিক্ষকৰ নিয়ন্ত্ৰয়ৰ বাহিৰ হৈ যায়। এইটোও ছাত্ৰ সকল উশৃঙ্খল হৈ পৰাৰ অন্য এক কাৰণ।

প্ৰশ্ন—বৰ্ত্তমান সমাজ ব্যৱস্থাকেই ছাত্ৰ সমাজৰ বিশৃঙ্খলাৰ মূল কাৰণ বুলি কলে; কিন্তু আপুনি বাৰু কেনেকুৱা সমাজ ব্যৱস্থা বিচাৰে?

উত্তৰ—এইটো প্ৰশ্নৰ উত্তৰ বহু পৰিমাণে ৰাজনৈতিক। সেয়ে মই প্ৰথমৰ পৰাই ইয়াক এৰি আহিছোঁ। মই কি বিচাৰো বা নিবিচাৰো সেইটো কব বিচৰা নাই। কিন্তু যি সমাজ ব্যৱস্থাই অৰ্থনৈতিক অসমতা দূৰ কৰিব পাৰে, শ্ৰম হিচাপে ব্যক্তিয়ে মৰ্য্যদা পাব পাৰে, জাতি বৰ্ণ বিদ্বেষ আঁতৰাব পাৰে তেনে সমাজ ব্যৱস্থাই কেৱল ছাত্ৰ সমাজৰ নহয় দেশৰ বাহবোৰ বিশৃঙ্খলা দূৰ কৰিব পাৰে বুলি মই ভাবো।

প্ৰশ্ন— পৰীক্ষা পদ্ধতি সংষ্কাৰ সাধনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন কৰাৰ বিষয়ে কি ভাবে?

উত্তৰ— যুগ পৰিবৰ্ত্তনৰ লগে লগে পৰীক্ষা পদ্ধতিৰ পৰিবৰ্ত্তন বা সংস্কাৰ সাধন কেতিয়াবাই কৰিব লাগিছিল, কিন্তু পৰীক্ষা পদ্ধতিৰ সংস্কাৰৰ দ্বাৰা শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তন হব নোৱাৰে। যুগৰ প্ৰয়োজনত দুয়োটা বিষয় সমান্তৰাল ভাবে সংস্কাৰৰ অতি প্ৰয়োজন। মই আগৰ প্ৰশ্নৰ উত্তৰ প্ৰসংগত উল্লেখ কৰাৰ দৰে বৰ্ত্তমান শিক্ষা ব্যৱস্থাই শিক্ষাৰ উদ্দেশ্য পূৰাব পৰা নাই। তদুপৰি বৰ্ত্তমান পৰীক্ষা পদ্ধতিৰ দ্বাৰা ছাত্ৰ এজনৰ পাঠ আয়ত্বৰ প্ৰকৃত বিচাৰ নহয়। আনহাতে ছাত্ৰ এজনে পৰীক্ষা গৃহত নানা প্ৰকাৰ দুনীতি কৰাৰ সুবিধা পায়। কোনো বিবেকবান শিক্ষকে এই দূনীতিত বাধাদান কৰিবলৈ গলেই ছাত্ৰ শিক্ষকৰ মাজত প্ৰয়োজনীয় মধুৰ সম্পৰ্কত ফাটল ধৰে। গতিকে যুগৰ প্ৰয়োজনৰ তাগিদাত বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতি আৰু শিক্ষা ব্যৱস্থা সংস্কাৰ সাধন কৰা দৰকাৰ।

প্ৰশ্ন— শিক্ষা দানৰ ক্ষেত্ৰত অভিভাৱক সকলৰ দায়িত্ব কেনে ধৰণৰ হোৱা উচিত?

উত্তৰ— 'সন্তান জন্মদিয়ে পিতৃ-মাতৃয়ে, মানুহ কৰে শিক্ষকে'— বোলা কথাষাৰৰ গুৰুত্ব বৰ্ত্তমান বহু পৰিমাণে কমি গৈছে। তাহানিৰ গুৰুগৃহত থাকি গুৰুৰ সাহায্যত শিক্ষা লাভ কৰাৰ দিন আৰু নাই। এতিয়া শিক্ষক এজনে (আবাশিক স্কুল সমূহৰ কথা বাদ দি) তেওঁৰ ছাত্ৰক দিনটোৰ ২৪ ঘন্টাৰ ভিতৰত মাত্ৰ পাঁচ ছয় ঘন্টাহে লগ পায়। গতিকে অভিভাৱকে তেওঁৰ সন্তানৰ আচাৰ ব্যৱহাৰ, পৰিবেশ, মানসিক পৰিস্থিতি, সহজাত প্ৰবৃত্তি ইত্যাদিৰ ওপৰত বেছি পৰিমাণে নিৰিক্ষণ কৰাৰ সুবিধা পায় আৰু সেই হিচাপে শিশু এজনৰ ভৱিষ্যত পৰিকল্পিত জীৱনৰ প্ৰস্তুতিৰ কাৰণে অভিভাৱকৰ দায়িত্ব বেছি। উদাহৰণ স্বৰূপে সহজাত প্ৰবৃত্তি অনুসৰি ছবি আঁকিবলৈ ভাল পোৱা শিশু এজনক অভিভাৱকে অংক শিকিবলৈ বাধ্য কৰালে সেই শিশু উজ্জল ভবিষ্যতৰ আশা ক্ষীণ। অভিভাৱকে যদি এইবোৰ কথাৰ শিক্ষকে ছাত্ৰক গুৰুত্বপূৰ্ণ পাঠ ঘৰত প্ৰস্তুত কৰিবলৈ দিয়ে। গুৰুত্ব নিদি তেওঁৰ ল'ৰা-ছোৱালীক ঘৰুৱা কামত লগাই দিয়ে বা শিশু মনৰ উৰণীয়া স্বভাৱৰ হেতুকে

অলৌতলৌকৈ বেয়া পৰিবেশত ঘুৰিবলৈ সুযোগ দিয়ে তেন্তে তেনে শিশুৰ ভৱিষ্যতো তথৈবচ। পৰিবেশে শিশুৰ ভৱিষ্যত জীৱনৰ ওপৰত মচিব নোৱাৰা প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰে। অভিভাৱকে এই দিশৰ ওপৰত নজৰ দিয়া একান্ত প্ৰয়োজন। শিক্ষা তত্ত্ব পুথি সমূহত যদিও স্কুলৰ শিক্ষক সকলৰ ওপৰ ছাত্ৰ এজনৰ প্ৰায় সকলোবোৰ দায়িত্ব অৰ্পণ কৰা হৈছে (যি দায়িত্ব পালন কৰাৰ শৈক্ষিক পৰিবেশ আমাৰ দেশত এতিয়াও সম্ভৱ হোৱা নাই) কিন্তু মই ভাবো ছাত্ৰ-ছাত্ৰীৰ প্ৰতিজন অভিভাৱকেই একো একোজন শিক্ষকৰ দৰে হোৱা উচিত। আনহাতে অভিভাৱক এজনে তেওঁৰ সন্তানক শাসন কৰাৰ ক্ষেত্ৰত যথেষ্ট সতৰ্ক হব লাগে। হকে-বিহকে বুজি-নুবুজি ল'ৰা-ছোৱালীক কঠোৰ শাসনত ৰাখিবলৈ গ'লে বহু সময়ত বিৰূপ প্ৰতিক্ৰিয়া হোৱা দেখা যায়। 'প্ৰথম স্তৰত শিশুক মা-দেউতাকে শাসন কৰে, দ্বিতীয় স্তৰত মাক-দেউতাকে সন্তানৰ লগত বন্ধুভাৱেৰে আলোচনা কৰি সমস্যা সমাধান কৰে, তৃতীয় স্তৰত মাক-দেউতাকে সন্তানৰ পৰামৰ্শ গ্ৰহণ কৰে'-এই অভিমত এই ক্ষেত্ৰেত প্ৰনিধান যোগ্য॥

---

## হাঁহিৰ কৌতুক—

০ এজন চোৰে তেওঁৰ লগৰীয়া চোৰ বন্ধু এজনৰ বিয়াত কিছুমান বস্তু আৰু কাপোৰ-কানি চুৰ কৰি আনি উপহাৰ দিলে। কিছুদিন পিছত আন কোনোবা চোৰে বস্তুবোৰ চুৰ কৰি লৈ গ'ল। এদিনাখন তেওঁ সেই চোৰ বন্ধুজনে কলে 'মই তোমাক উপহাৰ দিয়া বস্তুবোৰ ব্যৱহাৰ নকৰা কেলেই? তেতিয়া বন্ধু জনে উত্তৰ দিলে 'সেইবোৰ বেছি দিলো'। প্ৰথম জন বন্ধুৱে সুধিলে 'কি দৰত বেচিলা'? দ্বিতীয় বন্ধুই কলে 'তুমি যি দৰত কিনিছিলা সেই একে দৰতেই'।

০ এদিন এজন মানুহক কিছুমান পুলিচে বান্ধিনি থকা দেখি গাঁওৰ এদল মানুহে সুধিলে 'হেৰি তোমাক এইদৰে কিয় বান্ধি নিছে'? তেতিয়া মানুহজনে উত্তৰ দিলে 'বাটৰ কাষত এডাল ৰচি পৰি আছিল। সেই ডাল বুটলি লৈছিলো বুলি'। গাওঁৰ মানুহবোৰে কলে 'কি দিন কাল পৰিল, এডাল ৰচি বুটলি ললেই পুলিচক দিব লাগেনে? তেতিয়া বান্ধি নিয়া মানুহ জনে কলে 'নহয় মানে ভুলতে ৰচি ডালৰ মূৰত এটা গৰু বন্ধা আছিল'।

বাবলু খাঁন
বি, এ, প্ৰথম বাৰ্ষিক।

০ — বেমাৰিয়ে ডাক্তৰক সুধিলে, ছাৰ আপোনাক কিমান টকা দিব লাগিব?
—সৰ্ব্বমুঠ (৬০·০০) ষাঠি টকা দিলেই হব। কিয়? বেমাৰীয়ে চক খাই কলে।
—তাৰ মানে ঔষধৰ দাম ত্ৰিশ টকা আৰু তোমাৰ ঘৰত তিনি দিন আহিছো তাৰ বাবে ত্ৰিশ টকা।
—তেন্তে এই ত্ৰিশ টকা লওঁক।
—বাকী টকা।
—বাকী টকা মই ভাল হোৱাৰ পিছত আপোনাৰ ঘৰত তিনি দিন যাম।

মোঃ নজৰুল ইছলাম খান
বি, এ, প্ৰথম বাৰ্ষিক।



# প্ৰবন্ধ

## —ঃআদৰ্শ বিদ্যাৰ্থীৰ গুণঃ—

মোঃ খায়েৰ উদ্দিন
বি, এ, প্ৰথম বাৰ্ষিক।

বিদ্যাৰ্থী হ'ল মানৱ জীৱনৰ সৰ্ব্বোত্তম কাল। আজিৰ বিদ্যাৰ্থী কালিৰ নাগৰিক। বিদ্যাৰ্থী জীৱনত যি শিক্ষা পায় তাকেই কেন্দ্ৰ কৰি মানুহ যোগ্য আৰু মূল্যবান হব পাৰে। গুণহীন মানুহ পশুৰ সদৃশ। বিশ্বৰ বুকুত শ্ৰেষ্ঠ বস্তু হৈছে গুণ। গুণৰ জৰিয়তে মানুহে সংসাৰত পূজা লাভ কৰিব পাৰে। গতিকে কঠোৰ পৰিশ্ৰম হলেও সৎগুণ আহৰণ কৰা অতি প্ৰয়োজন।

বিদ্যাৰ্থী সকল পৰিশ্ৰমশীল হোৱা উচিত। বিনা পৰিশ্ৰমত বিদ্যা শিক্ষা লাভ কৰাটো কেতিয়াও সম্ভৱপৰ নহয়। এলাহ যে উন্নতিৰপতন এই কথা-ষাৰ প্ৰত্যেকজন বিদ্যাৰ্থীৰ জানি ৰখা উচিত, এলাহ থকা মানুহ অধপতনৰ মূল। গতিকে এলাহ থকা মানুহক কেতিয়াও আশ্ৰয় দিয়া উচিত নহয়।

বিদ্যাৰ্থী সকলৰ একমাত্ৰ কেন্দ্ৰস্থল হৈছে বিদ্যালয়। বিদ্যালয়ত যিখিনি শিক্ষা দিয়া হয় সেইখিনি শিক্ষা অতি মনোযোগেৰে আয়ত্ব কৰি লোৱাৰ কাৰণে চেষ্টা কৰা জন বিদ্যাৰ্থীৰ কৰ্ত্তব্য বুলি মানি চলা উচিত। বিদ্যাৰ্থী সকলে কেতিয়াও ফাকি দিয়া উচিত নহয়, কাৰণ এইটো ভালদৰে জানি ৰখা উচিত যে, গুৰুজন পিতা, মাতা, নাইবা পূজনীয়জনক ফাকি দি ফুৰা মানে নিজক ফাকি দিয়া, তাৰ কাৰণ মিছাৰ ঠেং সদায় চুটি।

বিদ্যাৰ্থী সকলৰ প্ৰত্যেকৰে একোটা লক্ষ্য থকাটো উচিত, কাৰণ লক্ষ্যহীন জীৱন ব্যৰ্থ। গতিকে তেওঁলোকে যাতে জীৱনৰ মূল লক্ষ্য উচ্চ পৰ্য্যায়লৈ উপনীত হব পাৰে তাৰ বাবে সদায় লক্ষ্য ৰখাটো দৰ্কাৰ।

'আলস্য হি মনুষ্য নাং মহান ৰিপুঃ'

বিদ্যাৰ্থী সকলৰ জীৱন সদায় সংযম প্ৰিয় হোৱাটো উচিত, যি জন বিদ্যাৰ্থীৰ মন নিজৰ অধিনলৈ আনিব নোৱাৰে, সেইজন কেতিয়াও আদৰ্শৱান হব নোৱাৰে নাইবা সেই জন বিদ্যাৰ্থীৰ জীৱনৰ পৰা বহু দূৰত থাকিব লগীয়া হয়। মানৱ জীৱনটোক ভালদৰে গঢ়ি তুলিবলৈ হলে অতি মহান গুণৰ দৰ্কাৰ। সেইটো হৈছে চৰিত্ৰ। চৰিত্ৰ হ'ল দুই প্ৰকাৰ। যেনে সৎচৰিত্ৰ আনটো কুচৰিত্ৰ।

সৎচৰিত্ৰৰ দ্বাৰা মানুহ সদায় পৱিত্ৰ নাইবা উচ্চ শিখৰলৈ যাব পাৰে। চৰিত্ৰৱান মানুহ যতে যায় ততেই তেওঁক আদৰ বা সন্মান কৰে। সেই কাৰণে চৰিত্ৰৱান মানুহক সোণৰ লগত তুলনা কৰিব পাৰি নাইবা পৱিত্ৰ পানীৰ তুলনা কৰা হয়। যেনেকৈ সোণৰ যেউতি অমান্য কৰিলে ই কেতিয়াও তাৰ যে যেউতি সেইটো কেতিয়াও নকমে। কিন্তু ঠিক সেই দৰে চৰিত্ৰৱান মানুহ যলৈকে যায় ততে তাৰ সন্মান বৃদ্ধি পায়। সেই দৰে কুচৰিত্ৰ মানুহক পশুৰ লগত তুলনা কৰিব পাৰি। ভাল স্বভাৱ যে কি সেইটো তেওঁ বুজিব নোৱাৰে। গতিকে বিদ্যাৰ্থী সকলে নৈতিক চৰিত্ৰ গঠন কৰাৰ কাৰণে কু-প্ৰবৃত্তি সাংসাৰিক প্ৰলোভন আৰু কুসঙ্গ আদিৰ পৰা বহু আতৰত থকা অতি দৰ্কাৰ।

বিদ্যাৰ্থী সকল অনুশাসন প্ৰিয় হোৱা উচিত অনুশাসনহীন বিদ্যাৰ্থীৰ বৌদ্ধিক, মানসিক বিকাশ সাধন কেতিয়াও হব নোৱাৰে। এনেকুৱা বিদ্যাৰ্থীয়ে কেতিয়াও ছাত্ৰপোযোগী গুণ লাভ কৰিব নোৱাৰে। গতিকে আদৰ্শৰূপে গঢ়াৰ কাৰণে গুৰুজন আৰু পূজনীয় জনৰ অনুশাসন মানি চলাটো মূখ্য কৰ্ত্তব্য বুলি ধৰি লব লাগিব। কিন্তু বৰ্ত্তমান যুগত এনেকুৱা কিছুমান বিদ্যাৰ্থী দেখা পোৱা যায়। শিক্ষক নাইবা পূজনীয়ক অৱজ্ঞাৰ চকুৰে চায় বা ঠাট্টা বিদ্ৰূপ আদি কৰাও পৰিলক্ষিত হয়।

বিদ্যাৰ্থী সকলে সদায় মনত ৰখা উচিত যে সদায় শ্ৰদ্ধা ভক্তিৰ দ্বাৰাহে জ্ঞান আহৰণ কৰাটো সম্ভৱ। যি জন বিদ্যাৰ্থীৰ মনত নিজ গুৰুৰ প্ৰতি যদি সৎ-ভক্তি নাথাকে সেইজন কেতিয়াও জীৱনত জয় লাভ কৰিব নোৱাৰে। বিদ্যাৰ্থী সকলে সময়ক কেতিয়াও আওকান কৰিব নেলাগে। কাৰণ সময় তেওঁৰ কাৰণে বৈ নাথাকে। সময় ঠিক মতে খটোৱাটো হ'ল তেওঁলোকৰ দৰ্কাৰ।

বিদ্যাৰ্থী সকলৰ শিক্ষাৰ আন এটি অপৰিহাৰ্য্য অংগ হ'ল খেল-ধেমালী। স্বাস্থ্যৰ পক্ষে ই বৰ দৰ্কাৰী। মহাত্মাগান্ধীয়ে কৈছিল যে, সুস্থ শৰীৰত হে সুস্থ মনৰ বিকাশ হয়। গতিকে শৰীৰ সুস্থ আৰু সতেজ ৰাখিবলৈ হলে বিদ্যাৰ্থী সকলক খেল-ধেমালী আদি অতি আৱশ্যকীয় বস্তু। অৱশ্যে এই খেল-ধেমালী বিদ্যাৰ্থী সকলৰ সময়মতে হোৱা উচিত।

বিদ্যাৰ্থী সকলৰ মনত সদায় নজনা বস্তুৰ জনাৰ কাৰণে ইচ্ছুক। তাৰ ভাৱ জাগৰণ থকাৰ দৰ্কাৰ। যি জনৰ এই ভাৱ নেথাকে সেইজন কেতিয়াও শিক্ষা জগতত কেতিয়াও প্ৰগতি লাভ কৰিব নোৱাৰে। সেইকাৰণে প্ৰত্যেক জন বিদ্যাৰ্থীয়ে জীৱন-উপযোগী গুণ বিলাক মানিলৈ নিজক আদৰ্শ বিদ্যাৰ্থী স্বৰূপে চিনাকী কাৰণে চেষ্টা ৰখা উচিত।

## —হাঁহিৰ কৌতুক—

০ এজন মানুহে নিজৰ ঘৈনীয়েকৰ নামত চিঠি দিব বুলি লেফাফাৰ ভিতৰত বগা কাগজৰ টুকুৰা এটা ভৰাই ঠিকনা লিখি আছে। এনেতে তেওঁৰ বন্ধু এজনে সকলো বিলাক লক্ষ্য কৰি সুধিলে, বন্ধু আপুনি এইটো কি কৰিলে ?

—তেওঁ কলে কিয় ? —আপুনি দেখোন একো নিলিখাকৈ বগা কাগজ সুমাই থৈছে।

—তাৰ মানে মই মোৰ ঘৈনীৰ লগত কথা নকওঁ।

মোঃ নজৰুল ইছলাম খান
বি, এ, প্ৰথম বাৰ্ষিক।



# কবিতা

## —কল্পনা—

মোঃ সহিদুল ইসলাম
বি, এ, প্ৰথম বাৰ্ষিক।

কল্পনা আছিল ধন্য হ'ব অসম দেশৰ মাটি,
গঢ়ি উঠিব অসমীয়া মানুহ সোণৰ দৰে খাঁটি।
নানা সংস্কৃতিত অসম গঢ়িব লক্ষ্মী হব হাতত
পথাৰ থাকিব ভৰা শস্যৰে মানুহ থাকিব সুখত
আজি দেখোঁ দুৱাৰ মুখত পিশাচিনীৰ ছায়া,
তেজেৰে আজি লুইত ৰঙা আকাশৰ নাই কায়া।
বৰ্ণ বিহীন কোটি মুখ বোকাই ভৰা বুক
স্বাৰ্থত খান্দে লোভৰ গাঁত লাগে কেৱল সুখ
কাৰো মুখত, কাৰো বুকুত পশুৰ হিংস্ৰ ছায়া,
হাট বজাৰত দেখোঁ কৰাল ক'লা মুদ্ৰাৰ মায়া।
দেশখন হ'ব সুস্থ সবেই স্বস্তি প্ৰাণত পাব
পৰম ক্ষুধাৰ অন্য, নতুন জীয়াৰ মানে হ'ব।
আজি দেখো দুৱাৰ মুখত যমৰ ছায়া ঘূৰে
কাল অগনি আশাৰ মূৰ্ত্তি কৰাল দাহে পোৰে।
আশা কৰো ঘূৰি আহিব আগৰ পৰিবেশ
ধন্য হব অসমীয়াই আৰু অসম দেশ।

## —মোৰ মন আকাশৰ ঢৌ—

আব্দুচ্ ছাত্তাৰ আহমেদ
বি, এ, দ্বিতীয় বাৰ্ষিক।

মোৰ মন আজি সাগৰৰ উত্তাল তৰঙ্গত নাচি উঠিছে,
ভাহি উঠিছে মন বীণাত অনাদি অনন্ত গীতৰ সুৰ।
খৰশ্ৰোত বেকী নদীৰ তৰঙ্গই সৌ দিগন্তৰ আঁৰে
আঁৰে ........
চাই থকা নিস্তেজ বাঘৰে মোৰ অন্তৰত ডাৱৰ
নমাই আনিছে ॥
বসন্তৰ বকুল বননিত মালতীৰ মিচিকিয়া হাঁহিয়ে;
মোৰ প্ৰাণত এক নতুন ফুল পাহিৰ জন্ম দিছে।
........ কিন্তু প্ৰকাশৰ ভাষা বিচাৰি নেপাই,
মোৰ মন গুজৰি-গুমৰি মৰিছে ॥

## ঃ এটি কবিতা ঃ

এম, ছাদিকুৰ ৰহমান
বি, এ, প্ৰথম বাৰ্ষিক।

আমি এজাক ক্ষুধাতুৰ বিহঙ্গ
জাক পাতি-পাতি উৰি-উৰি
বিচাৰি ফুৰিছো এক নৱ দিগন্ত।
হৃদয়ত আমাৰ জ্বলিছে দাৱানল
সেই জুইয়ে মন পুৰে, দেহ পুৰে
লুইতৰ প্লাৱনত উটি গৈছো
কন্ঠৰোদ্ধ অতল গহব্বৰলৈ
আমাৰ প্ৰতিশ্ৰুতি, উলাই আহিম
ভাঙ্গি দিম লৌহকপাট
লক্ষ্য আমাৰ সৃষ্টি।

## ঃ নতুনৰ স্পন্দনধ্বনি ঃ

ছলিম উদ্দিন আহমেদ
বি, এ, প্ৰথম বাৰ্ষিক।

পুৰণি পৃথিৱী কৰি চুৰমাৰ
দুৰ্জ্জেয় প্ৰাচীৰ কৰি সংহাৰ
অজস্ৰ বিঘিনি কৰি আওকান
আমি—
নতুন পৃথিবী গঢ়িম
গাম নতুনৰ গান।
সোৱা—
আহিছে আমাৰ আহবান
হে নিৰ্ভীক যুৱক সন্তান
হোৱা মহীয়ান।
ঘৰে ঘৰে আজি অনাহাৰ
অনাদ্ৰিৰ্ত, বস্ত্ৰহীন,
পতিতাৰ মাতৃৰ ভয়াল আৰ্ত্তনাদ
কিন্তু—
কিয় আজি গাও ৰিঙিয়াই
'আমি উন্নতি উচ্চ শিখৰত,
গৰৱৰ্ত বুকু ফিন্দাই ?

আৰু কিয়—
আজি, হিংসা লোলুপ, মানৱৰ
ৰক্ত পায়ী কামান।
দানৱৰ বৰ্বৰতা
সৌৱা, ভিয়েৎ নামত, ইজৰাইলত,
বাংলা দেশত আৰু অ'ত ত'ত ?
মানুহে মানুহক কবিছে নিৰ্য্যাতন,
কৰিছে শোষণ।
হে দুৰ্জ্জেয়, অপৰাজেয়
শক্তিদ্বয়—
চকু মেলি হোৱা আগুৱান,
অত্যাচাৰ আৰু অনাচাৰৰ বিৰুদ্ধে
এইয়া—
আমাৰ আজি অভিযান
আমি নতুন পৃথিবী গঢ়িম
গাম নতুনৰ গান।

## ঃ পদধ্বনি ঃ

মহম্মদ আলী
বি, এ, দ্বিতীয় বাৰ্ষিক।

আই! এইবেলি দেখিছোঁ শৰতৰ প্ৰথম পুৱাতে,
সূৰ্য্যৱৃষ্টি হ'ল পৃথিৱীৰ দিক্ দিগন্তত।
জীৱণৰ আঁহে আঁহে জীয়া বেদনাৰ স্ফুৰণ..........
সময়ৰ বলিৰেখাই উটুৱাই নিলে!
প্ৰভাত আহিল? নিশা দ্বি-প্ৰহৰতে!
এটি পদধ্বনি! দুচকুত সপোনৰ মায়া..............
ঘৰে ঘৰে দেখোঁ ভঙা-গঢ়াৰ
এক নতুন তীখাৰ শাণ।



# Nabajyoti College Magazine

ENGLISH  SECTION

**1982-83**

**Editor—**
**Mazedur Rahman.**

# OTHER-I

Mr. S. Baral, Lecturer
Deptt. of English.

Once you feel the pulse of my being
Know me as I know myself.
This burdened self shall bear
The wings of full bodied liberty,
When all knowledge melts in a mystery
Of sweet ignorance and all existence
In a music of full blooded happiness.
Life is Love-size, what magic !

Dear, let not life laze away
Like a dewed moon in lone winter night,
Why the senses that cook the life all ecstacy
Be frowned as unholy things ?
Love, a full-life passion at its sweetest
Is the abnegation of all meaning, all belief.
What good then value-feelings ?
I cherish a complete experience in
A soft touch, the mother-blood of all uuderstanding.

Born to such disorders
And disillusioned of friendship
I live in self-exile-what more
Is life than a burden.
Well, all relief left is
A revelry in your reverie.
When will this long bleeding night
Feel a soft balmy morning ?
Let me live, dear, all I want is,
The feel, the feel, the feel.

# The Role of a Teacher in a Democratic State

Md. Mozammel Hussain.
Vice-Principal.

As I remember, in an article Published in our College Magazine some two years back, I dealt with a subject relating to the role of the students in a democratic Country. I now remember distinctly that I spoke about the duties that the students should perform. Today, in this issue of the College Magazine I could not resist my temptation to write something about what role a teacher should play in a democratic set-up. As the matter is complementary, I mean the relations between the teachers and the tought are very closely related particularly in so far as the making of the latter as man is concerned, a teacher's role should be discussed to make our study of the subject most complete. I have also personally gathered some practical knowledge as a serving teacher over a decade, and this has positively helped me in making my independent Opinions as to the role of a teacher that is practically suitable in moulding the character and life of a student. And here, I will try to discuss it out of my experiences as a teacher.

A democratic state means a state where the people have a share in the administration of it. in other words, the Citizens have to shoulder the responsibility of running the administration of the state either directly or indirectly throgh their elected representatives. The progress and prosperity of the nation in such a state depends largely on the efficiency and capacity of its Citizens. Individnal's develop-

# The Role of a Teacher in a Democratic State

**Md. Mozammel Hussain.**
Vice-Principal.

